দ্যা আই বুক

ৰোগীৰ শিক্ষাৰ বাবে এক সচিত্ৰ নিৰ্দেশাৱলী

প্ৰণেতা

orbis

দ্যা আই বুক

বিকাশ আৰু পুঁজি যোগান: FHMD স্বাস্থ্য আৰু মগাজু বিকাশ ফাউণ্ডেছন

চিত্ৰ: ৰব ফ্লিৰেল

প্ৰকাশন: অৰ্বিছ ইন্টাৰনেশ্যনেল
ইণ্ডিয়া কান্ট্ৰী অফিচ
301, ছলিটেয়াৰ প্লাজা
এম.জি. ৰোড, গুৰু দ্ৰোণাচাৰ্য্য মেট্ৰ' ষ্টেছনৰ সমীপত,
গুৰুগ্ৰাম, হাৰিয়ানা-122002
ফোন 91.124.4284601 | ফেক্স 91.124.4284602

প্ৰকাশকৰ অনুমতি অবিহনে এই কিতাপখনৰ কোনো অংশৰ
পুনৰ প্ৰকাশন কঠোৰ ভাৱে নিষিদ্ধ

©2018, অৰ্বিছ

পাতনি

উদ্দেশ্য

যোগাযোগ আৰু শিক্ষা হৈছে স্বাস্থ্য সেৱা সৰবৰাহৰ গুৰুত্বপূৰ্ণ অংশ আৰু এই সমূহ চিকিত্সাৰ বিকল্প চয়ন আৰু চিকিত্সাগত পৰামৰ্শ মানি চলা সন্দৰ্ভত ৰোগীসকলে উপযুক্ত স্বাস্থ্যসম্পৰ্কীয় সিদ্ধান্ত লোৱাৰ বাবে অত্যাৱশ্যকীয়।

এই কিতাপখন চিকিত্সক, চকুৰোগৰ নাৰ্চ, চকুৰ বিশেষজ্ঞ, দৃষ্টি প্ৰযুক্তিবিদ, পৰামৰ্শদাতা আৰু স্বাস্থ্যসেৱা বৃত্তিধাৰীসকলে ৰোগী, অভিভাৱক, পৰিয়ালৰ সদস্য আৰু প্ৰতিপালনকাৰীসকলৰ লগত কৰা তেওঁলোকৰ আলোচনাক অধিক সহজ কৰিবৰ বাবে এক উপাদান হিচাপে ব্যৱহাৰ কৰাৰ উদ্দেশ্যেৰে পৰিকল্পিত।

এই কিতাপখন ৰোগী বা পৰিয়ালৰ লগত কথা পতাৰ বিকল্প নহয়। এই কিতাপখন ৰোগী বা পৰিয়ালক তেওঁলোকে নিজে পঢ়িবৰ বাবে প্ৰদান কৰাৰ উদ্দেশ্যেৰে নহয়। ইয়াক স্বাস্থ্যসেৱা বৃত্তিধাৰী লোকসকলৰ বাবে এক সহায়ৰূপে আৰু আলোচনাত ধ্যান কেন্দ্ৰিত কৰিবৰ বাবে পৰিকল্পিত কৰা হৈছে।

সকলো ৰোগীৰ বাবে সঠিক হোৱা কোনো লিপি, কোনো বিৱৰণ বা আলোচনা নাই। যোগাযোগ নিশ্চিত ভাৱে ৰোগী কেন্দ্ৰিক হ'ব লাগিব - প্ৰতিগৰাকী ৰোগী, তেওঁলোকৰ নিদানিক স্থিতি, ব্যক্তিগত স্থিতি, আবেগিক স্থিতি, ভাষা আৰু শৈক্ষিক ক্ষমতা অনুসৰি নিৰ্দিষ্টকৃত।

ৰোগী/ পৰিয়ালৰ লগত প্ৰভাৱশালী যোগাযোগৰ বাবে পৰামৰ্শ

- সকলো লেখ আৰু অন্য উপলব্ধ নথিপত্ৰ পৰ্য্যালোচনা কৰি আপুনি আৰম্ভ কৰাৰ আগতে সাজু হওক।
- ৰোগী/ পৰিয়ালৰ সদস্যক চিকিত্সা সমস্যাৰ বিষয়ে আপোনাক কবলৈ কৈ সকলো আলোচনা আৰম্ভ কৰক, তেতিয়াও যেতিয়া আপোনাৰ ওচৰত সেই তথ্য থাকে। শুনক- ৰোগীৰ/ পৰিয়ালৰ ভাষা কুশলতা আৰু সমস্যাটো সম্পৰ্কে তেওঁলোকৰ প্ৰাথমিক ধাৰণা নিৰ্ধাৰণ কৰক। তেওঁলোকৰ আবেগিক স্থিতিৰ প্ৰতি মনোযোগ দিয়ক। যদি প্ৰয়োজন হয়, তেন্তে তেওঁলোক ক'ত থাকে, ক্লিনিকখনলৈ তেওঁলোক কিদৰে আহিছে আৰু যাব, ৰোগীক সহযোগ বা সহায় কৰিবলৈ কোন আছে সেই বিষয়ে শুধক। আপোনাৰ বাখ্যাসমূহক এক সঠিক স্তৰত সাজু কৰিবৰ বাবে এই তথ্যখিনি ব্যৱহাৰ কৰক।
- ৰোগীক/পৰিয়ালক প্ৰশ্ন সুধিবৰ বাবে উত্সাহিত কৰক।
- কথোপকথনক লাহে লাহে আগবঢ়াই নিয়াৰ চিন্তা কৰক, দ্ৰুত ভাৱে নহয়। সকলো তথ্য একেবাৰতে দিয়াৰ প্ৰচেষ্টা নকৰিব।
- অ-বৃত্তিধাৰীসকলে বুজি নোপোৱা চিকিত্সা সম্পৰ্কীয় শব্দ সমূহৰ ব্যৱহাৰ এৰাই চলক।
- প্ৰতিগৰাকী ৰোগীৰ/পৰিয়ালৰ বিশ্বাসৰ প্ৰতি সন্মান জনাওক। যদি এগৰাকী মাতৃয়ে কয় যে, "মই মোৰ সন্তানটোৰ বাবে শংকিত।" "ভয় কৰিবলগীয়া একো নাই" বুলি নক'ব। তাৰ পৰিৱৰ্তে, তেওঁৰ চিন্তাক সন্মান জনাওঁক-" নিশ্চয় আপুনি আপোনাৰ সন্তানৰ বাবে চিন্তিত। সেই বাবে আমি ......" বা হয়তো এগৰাকী ৰোগীয়ে কৈছে, "মই মোৰ পৰিয়ালৰ বেজক লগ কৰিব বিচাৰো", বা "প্ৰাৰ্থনাই মোক ভাল হোৱাত অধিক সহায় কৰিব।" এনে প্ৰতিক্ৰিয়া নিদিব যে বেজ বা প্ৰাৰ্থনা অৰ্থহীন। তেওঁলোকৰ বিশ্বাসক সন্মান জনাওঁক।
- ৰোগীগৰাকী/পৰিয়ালটোৱে যে বুজি পাইছে সেইয়া নিশ্চিত কৰিবৰ বাবে, আপুনি তথ্য প্ৰদান কৰাৰ লগে লগে প্ৰশ্ন কৰক। "ওলোটাই শিকাওক" নামৰ পদ্ধতিটোৰ ব্যৱহাৰ কৰক। ৰোগীগৰাকী/পৰিয়ালটোক সোধক- "কওকচোন, সমস্যাটো কি আৰু আপুনি (বা আমি) কি কৰিব লাগিব? "
- আপোনাৰ শাৰীৰিক ভাষাৰ বিষয়ে ভাবক- আপুনি কি দৰে বহিছে বা থিয় হৈছে, আপুনি কিদৰে কথা কয়।

এই কিতাপখন কিদৰে ব্যৱহাৰ কৰিব

আপুনি যেতিয়া চকুৰ সমস্যাটোৰ প্ৰকাৰ আৰু কাৰণ বাখ্যা কৰিবলৈ আৰু প্ৰস্তাৱিত চিকিৎসা সম্পৰ্কত ৰোগীৰ লগত, তেওঁলোকৰ পৰিয়াল বা প্ৰতিপালনকাৰীৰ লগত কথা পাতে, তেতিয়া আপুনি এই কিতাপখন ব্যৱহাৰ কৰিব পাৰে।

আপুনি থিয় হৈ থাকে বা বহি থাকে, নিশ্চিত কৰক যে ৰোগীয়ে পৃষ্ঠাসমূহ স্পষ্টভাৱে দেখা পায়।

কিতাপখন চকুৰ সাধাৰণ দেহতত্ত্বৰ সৈতে আৰম্ভ হৈছে।

তাৰপিছত প্ৰাপ্তবয়স্ক আৰু শিশুৰ বিকাৰসমূহৰ বাবে পৃথক খণ্ড আছে।

প্ৰতিটো বিকাৰৰ বাবে, আপুনি পাব:

- আপুনি ৰোগীক জনাবলগীয়া সৰ্বাধিক গুৰুত্বপূৰ্ণ তথ্যৰ পাঠ সম্বলিত এটা পৃষ্ঠা: সমস্যাটো কি; আমি এই সমস্যাটোৰ চিকিৎসা কিয় কৰিব লাগিব; আৰু, চিকিৎসাৰ বিকল্পসমূহ।

  আৰম্ভণিতে, আপুনি ৰোগীক এই পাঠসমূহ পঢ়ি শুনাবলগীয়া হ'ব পাৰে। সময়ৰ লগে লগে, আপুনি পাঠসমূহ আৰু এই তথ্যখিনি আপোনাৰ নিজৰ ধৰণেৰে কিদৰে ক'ব সেইয়া শিকি উঠিব।

- অধিকসংখ্যক বিকাৰৰ বাবে, আমি আপোনাক সেই সমস্যাটো এনেদৰে বৰ্ণনা কৰাৰ উপায় প্ৰদান কৰিছো যিটো ৰোগীৰ দ্বাৰা বুজি পাবলৈ সহজ হয়।

  অধিকসংখ্যক ক্ষেত্ৰতে, আপুনি কেৱল ৰোগীৰ লগতে নহয়- ৰোগীৰ পৰিয়াল- অভিভাৱক, প্ৰাপ্তবয়স্ক সন্তান, প্ৰাপ্তবয়স্ক ভাতৃ বা ভগ্নীৰ লগতো কথা পাতিব। ৰোগীয়ে কি অভিজ্ঞতা কৰিছে আৰু চিকিৎসাত পলম কৰাৰ ফলত হ'ব পৰা পৰিণতিৰ বিষয়ে পৰিয়ালৰ এই সদস্যসকলে বুজি পোৱাটো প্ৰয়োজনীয়।

- এই কিতাপখনৰ পিছফালে চকুৰ চিত্ৰসহ এক পেপাৰ ব্লক আছে। চকুৰ সমস্যাৰ স্থান আৰু প্ৰকাৰক বুজাৰ বাবে আপুনি এই ছবিৰ ওপৰত আঁকিব পাৰে। প্ৰদত্ত খালী ঠাইত চকুৰ সমস্যাটোৰ নামটো লিখাটো সুনিশ্চিত কৰক। ৰোগীক বা পৰিয়ালৰ সদস্যক এই পৃষ্ঠাটো প্ৰদান কৰাটো নিশ্চিত কৰক।

স্বাভাৱিক চকু

চকুৰ বাহ্যিক দেহতত্ব



চকুৰ পেশী



চকুৰ আভ্যন্তৰীণ দেহতত্ত্ব



স্বাভাৱিক দৃষ্টি



প্রাপ্তবয়স্ক

বাহ্যিক ৰোগ

কনজাংটিভাইটিছ

সমস্যাটো

- কনজাংটিভাইটিছ, পিংক আই বুলিও কোৱা হয়, হৈছে কনজাংটিভাৰ এক প্ৰদাহ, যি হৈছে চকুৰ বগা অংশক আৱৰি ৰখা আৰু চকুৰ পতাৰ অভ্যন্তৰত ৰেখাৰ সৃষ্টি কৰা এক পাতল স্বচ্ছ কলা।
- লক্ষণসমূহ হ'ব পাৰে খজুৱা আৰু পানী ওলোৱা, আৰু কেতিয়াবা এক আঠাযুক্ত হালধীয়া চামনি।
- কনজাংটিভাইটিছ এটা বা দুয়োটা চকুতে হ'ব পাৰে।
- ই প্ৰায়ে এক সংক্ৰমণৰ ফলত হয়। বেক্টেৰিয়েল আৰু ভাইৰেল কনজাংটিভাইটিছ দুয়োটাই অতি সাধাৰণ আৰু অতি সংক্ৰামক।
- এলাৰ্জী, আঘাত বা ধূলি অথবা ৰাসায়নিক দ্ৰব্যৰ প্ৰতিক্ৰিয়াৰ ফলতো কনজাংটিভাইটিছ হ'ব পাৰে।

কনজাংটিভাইটিছৰ চিকিত্সা কিয় কৰিব লাগে?

- যদি কনজাংটিভাইটিছটো এটা সংক্ৰমণৰ ফলত হৈছে, তেন্তে সংক্ৰমণটো আনটো চকুলৈ বা অন্য লোকলৈ সোঁচৰিব পাৰে।
- যদি কনজাংটিভাইটিছটো এটা ৰাসায়নিক দ্ৰব্যৰ প্ৰতিক্ৰিয়াৰ ফলত হৈছে, তেন্তে যদি জৰুৰীভাৱে চিকিত্সা নকৰে ই চকুটোৰ স্থায়ী ক্ষতি কৰিব পাৰে।

চিকিত্সা

- ভাইৰেল কনজাংটিভাইটিছ সাধাৰণতে মৃদু হয় আৰু অলপ দিনৰ ভিতৰত নিজেই ঠিক হৈ যায়।
- বেক্টেৰিয়েল কনজাংটিভাইটিছক, কিন্তু, প্ৰায়ে এন্টিবায়টিক চকুৰ ড্ৰ'প বা মলমেৰে চিকিত্সা কৰা হয়, যদিও মৃদু হ'লে ই কেইদিনমানৰ ভিতৰতে ঠিক হ'ব পাৰে।
- সংক্ৰমণৰ চিকিত্সা কৰিবৰ বাবে বা প্ৰদাহ হ্ৰাস কৰিবৰ বাবে, সৰ্বাধিক সাধাৰণ চিকিত্সাটো হৈছে চকুৰ ড্ৰ'প বা মলম।
- যদি কনজাংটিভাইটিছ এটা এলাৰ্জীৰ ফলত হৈছে, তেন্তে এলাৰ্জী-ৰোধী ঔষধ প্ৰদান কৰিব পাৰে।
- গোটেই দিনটোত, প্ৰায়ে, হাত ধোৱাটো অতি প্ৰয়োজনীয়।
- যদি চকু মচিবলৈ আপুনি এখন টাৱেল ব্যৱহাৰ কৰিছে, ইয়াক আনৰ সৈতে ভগাই নল'ব, কাৰণ ই সংক্ৰমণ বিয়পাব।
- কেইসপ্তাহমানৰ ভিতৰত যদি লক্ষণসমূহ আঁতৰি নাযায়, ক্লিনিকলৈ পুনৰ আহক।

কনজাংটিভাইটিছ



অক্ষপক্ষ পতন

সমস্যাটো

- অক্ষপক্ষ পতন হৈছে চকুৰ পতাক ধৰি ৰখা পেশীৰ দুৰ্বলতাৰ ফলত চকুৰ ওপৰৰ পতা জাপ খোৱা।
- অধিকতৰভাৱে ই প্ৰায়ে এটা চকুত হয়, কিন্তু ই দুয়োটা চকুতে হ'ব পাৰে।
- অধিকতৰভাৱে ই সাধাৰণতে বয়স বঢ়াৰ লগে লগে হয়।
- নৱজাতক বা সৰু ল'ৰা-ছোৱালীৰ হ'ব পাৰে।
- চকুত বা মুখৰ স্নায়ুসমূহত আঘাতৰ ফলত হ'ব পাৰে।
- ডায়বেটিছ বা ষ্ট্ৰোকৰ দৰে কিছুমান নিৰ্দিষ্ট বেমাৰৰ বাবে হ'ব পাৰে।

অক্ষপক্ষ পতনৰ চিকিৎসা কিয় কৰিব লাগে?

- যদি চকুৰ পতাই চকুৰ মণিটোক সম্পূৰ্ণভাৱে বা আংশিকভাৱে আৱৰি থাকে, ই দৃষ্টিক বাধা দিয়ে।
- কছমেটিক- ৰূপ।

চিকিৎসা

- অক্ষপক্ষ পতনৰ কোনো ঔষধ বা পাৰম্পৰিক চিকিৎসা নাই।
- একমাত্ৰ চিকিৎসা হৈছে চকুৰ পতা উঠাবলৈ অস্ত্ৰোপচাৰ।

[অক্ষপক্ষ পতন হৈছে এখন খিৰিকিৰ পৰ্দাৰ দৰে, যি এখন খিৰিকিৰ ওপৰৰ পৰা নমোৱা হয়। পৰ্দাখন যিমানে তললৈ নামে, আপুনি সিমানেই কম দেখা পায়, যেতিয়ালৈ আপুনি একো দেখা নোপোৱা নহয়।]

অক্ষপক্ষ পতন



প্ৰাৰম্ভিক অক্ষপক্ষ পতন

অগ্ৰণী অক্ষপক্ষ পতন

চৰম অক্ষপক্ষ পতন

অক্ষপক্ষ পতন

স্বাভাৱিক

প্ৰাৰম্ভিক অক্ষপক্ষ পতন

অগ্ৰণী অক্ষপক্ষ পতন

চৰম অক্ষপক্ষ পতন

কালাজিয়ন

সমস্যাটো

- কালাজিয়ন হৈছে এটা ৰোদ্ধ তৈলগ্ৰন্থিৰ বাবে, চকুৰ পতাত হোৱা এটা সৰু আচিনা। ই সাধাৰণতে বিষহীন হয়।
- প্ৰায়েই, প্ৰায় এমাহমানত কালাজিয়নটো নিজেই আঁতৰি যায়।

কালাজিয়নৰ চিকিত্সা কিয় কৰিব লাগে?

- কালাজিয়নে চকুত চাপ প্ৰদান কৰে, বিশেষভাৱে যদিহে ই ডাঙৰ হয়, আৰু সময়ৰ লগে লগে, দৃষ্টিত সমস্যাৰ সৃষ্টি কৰে।
- কালাজিয়নৰ চিকিত্সা কৰিব লাগে যদি ই নিজেই আঁতৰি নাযায়, বা যদি ই বিষ আৰু অস্বস্তিৰ কাৰক হয়।

চিকিত্সা

- ইয়াক নেচেপিব বা ইয়াক মুক্ত কৰিবলৈ চেষ্টা নকৰিব।
- প্ৰতিদিনে 3ৰ পৰা 6 বাৰকৈ, 10-15 মিনিটৰ বাবে চকুটোৰ ওপৰত গৰম চাপ প্ৰয়োগ কৰক।
- চকুৰ ড্ৰ'প বা মলম- কেৱল তেতিয়াহে যেতিয়া চকুৰ পতাযুৰিত এক সম্পৰ্কিত সংক্ৰমণ থাকে।
- ইয়াক আঁতৰাবলৈ অস্ত্ৰোপচাৰ- কেৱল অধিক গুৰুতৰ ক্ষেত্ৰতহে, যি অন্য চিকিত্সালৈ প্ৰতিক্ৰিয়া নকৰে।

কালাজিয়ন



টেৰিজিয়াম

সমস্যাটো

- টেৰিজিয়াম হৈছে, সূৰ্য্যৰ পোহৰ বা ধূলি আৰু বতাহৰ দৰে প্ৰতিক্ৰিয়কৰ সম্পৰ্কত অহাৰ বাবে হোৱা এটা বা দুয়োটা চকুতে হোৱা এক কেন্সাৰ বিহীন বৃদ্ধি।

টেৰিজিয়ামৰ চিকিৎসা কিয় কৰিব লাগে?

- অধিকাংশ টেৰিজিয়াম ক্ষতিকাৰক নহয়, বিশেষকৈ একেবাৰে সৰুবোৰ আৰু চিকিৎসাৰ প্ৰয়োজন নহয়।
- কিছুমান ক্ষেত্ৰত, ই চকুটো ৰঙা পেলাব পাৰে বা খজুৱাব পাৰে।
- বৃদ্ধি হৈ কৰ্ণিয়াৰ এক বৃহৎ অংশ আৱৰি পেলালে ই দৃষ্টিত সমস্যাৰ সৃষ্টি কৰিব পাৰে।
- যদি বৃদ্ধি বাঢ়ি গৈ চকুৰ মণিটো ঢাকি পেলাই, ই দৃষ্টি ৰোধ কৰিব পাৰে।

চিকিৎসা

- টেৰিজিয়ামক আঁতৰাবৰ বাবে কোনো ঔষধ বা পাৰম্পৰিক চিকিৎসা নাই।
- যদি বৃদ্ধিটো কম আৰু কোনো সমস্যাৰ সৃষ্টি কৰা নাই, কোনো চিকিৎসাৰ প্ৰয়োজন নাই।
- যদি ৰঙা পৰে বা খজুৱাই, চকুৰ ড্ৰ'প ব্যৱহাৰ কৰিব পাৰি।
- যদি বৃদ্ধি বাঢ়িগৈ কৰ্ণিয়া বা চকুৰ মণিৰ এক বৃহৎ অংশ আৱৰি পেলাই, তেন্তে ইয়াক অস্ত্ৰোপচাৰ কৰি আঁতৰাই পেলাব লাগিব।
- বৃদ্ধিটো পুনৰ ওভতি আহিব পাৰে। যদি কোনো পুনঃবৃদ্ধি হয়, তেন্তে ক্লিনিকলৈ অহাটো প্ৰয়োজনীয়।

[টেৰিজিয়াম হৈছে এখন খিৰিকিত কাষৰ পৰা টনা এখন পৰ্দাৰ দৰে। পৰ্দাখন যিমানে বন্ধ হৈ আহে, আপুনি সিমানেই কম দেখা পায়, যেতিয়ালৈ আপুনি একো দেখা নোপোৱা নহয়।]

টেৰিজিয়াম



প্ৰাৰম্ভিক টেৰিজিয়াম



অগ্ৰণী টেৰিজিয়াম

চৰম টেৰিজিয়াম

টেৰিজিয়াম

স্বাভাৰিক

প্ৰাৰম্ভিক টেৰিজিয়াম

অগ্ৰণী টেৰিজিয়াম



চৰম টেৰিজিয়াম

কৰ্ণিয়াৰ আলচাৰ

সমস্যাটো

- কৰ্ণিয়াৰ আলচাৰ হৈছে চকুৰ সন্মুখভাগৰ স্বচ্ছ তৰপ, কৰ্ণিয়াৰ বাহ্যিক তৰপত হোৱা এটা মুক্ত হৈ থকা ঘাঁ।
- কৰ্ণিয়াৰ আলচাৰ সংক্ৰমণৰ বাবে, যেনে হাৰ্পেছ ভাইৰাছ, গন'ৰিয়া বা আঘাতৰ বাবে হ'ব পাৰে।

কৰ্ণিয়াৰ আলচাৰৰ চিকিত্সা কিয় কৰিব লাগে?

- কৰ্ণিয়াৰ আলচাৰৰ ফলত দৃষ্টিশক্তিৰ ক্ষয় কৰিব পাৰে আৰু হেৰোৱাব লগীয়া বা চকুটোও হেৰোৱাব লগীয়া হ'ব পাৰে।

চিকিত্সা

- সকলো প্ৰকাৰৰ আলচাৰৰ চিকিত্সাৰ বাবে, যিমান পাৰে সোনকালে, এগৰাকী চকু যত্ন বিশেষজ্ঞলৈ পঠিয়াব লাগে
- অন্তৰ্নিহিত সংক্ৰমণৰ (যেনে হাৰ্পিছ বা গনোৰিয়া) চিকিত্সা কৰিব লাগে।
- কৰ্ণিয়াৰ আলচাৰৰ চিকিত্সাৰ বাবে এন্টিবায়টিক চকুৰ ড্ৰ'প, বা মলম লগাব লাগে। চকুৰ ড্ৰ'প আপোনাক যিদৰে কোৱা হৈছে ঠিক সেইদৰে ব্যৱহাৰ কৰাটো অতি প্ৰয়োজনীয়।
- অতি গুৰুতৰ আলচাৰসমূহক অস্ত্ৰোপচাৰৰ প্ৰয়োজন হ'ব পাৰে।

কৰ্ণিয়াৰ আলচাৰ



নাকমুখী অশ্ৰু নলিকা ৰোধ

সমস্যাটো

- চকুপানী হৈছে চকুৰ স্বাস্থ্যৰ এটা গুৰুত্বপূৰ্ণ অংশ। চকুপানীয়ে চকুৰ পৃষ্ঠক পিছল হৈ থকাত সহায় কৰে, যাৰ বাবে চকুৰ পতা সহজে ওপৰ আৰু তল কৰি থাকিব পাৰে। চকুপানীয়ে, চকুৰ বাহ্যিক তৰপ কনজাংটিভাক পোষণ কৰে আৰু সুৰক্ষা দিয়ে, আৰু চকুৰ ক্ষতি সাধন কৰিব পৰা ধূলি আৰু অন্যান্য, যেনে বেক্টেৰিয়া, ধুই পেলাই।
- অশ্ৰু গ্ৰন্থিয়ে, দুয়োটা চকুৰ ওপৰত, চকুপানী উত্পন্ন কৰে। আপুনি চকু টিপিওৱা প্ৰতিবাৰেই, চকুপানীবোৰ চকুটোৰ পৃষ্ঠত বিয়পি পৰে।
- আপোনাৰ ওপৰ আৰু তলৰ পাৰি চকুৰ পতাৰ কোণত থকা সূক্ষ্ম ফুটাৰে চকুপানী নিৰ্গম হয়।
- সেইবোৰ তাৰপিছত কিছুমান সৰু সৰু নলিকাৰে এটা থলীলৈ যায় য'ত নাকৰ কাষত পতাবোৰ সংযোজিত হৈ থাকে, আৰু তাৰ পিছত নাকত সেইবোৰ খালী কৰাৰ আগতে, এটা নলিকাহৈ বৈ যায় - নাকমুখী অশ্ৰু নলিকা, বা অশ্ৰু নলিকা।
- যদি নলিকাটো ৰোধ হৈ পৰে, চকুপানীয়ে এটা স্পষ্ট পথ বিচাৰি নাপায় আৰু চকুত সংগ্ৰহিত হৈ পৰে, যাৰ ফলত চকুৰ পৰা পানী ওলাই।

- নাকমুখী অশ্ৰু নলিকা (NLDO) হৈছে এটা বা দুয়োটা অশ্ৰু নলিকাৰ ৰোধ। ই নৱজাতক, সৰু ল'ৰা-ছোৱালী, বা প্ৰাপ্তবয়স্কৰ হ'ব পাৰে।

- নাকমুখী অশ্ৰু নলিকা নিম্নলিখিত কাৰণসমূহত ৰোধ হ'ব পাৰে:
  - অশ্ৰু নলিকাৰ তৰপটো ডাঠ হোৱা। অশ্ৰু নলিকা সেইবোৰৰ তৰপটো ডাঠ হোৱা, ফুলি উঠা, বা প্ৰদাহিত হোৱাৰ বাবে সংকুচিত হৈ পৰিব পাৰে। ইয়াক কোৱা হয় প্ৰাথমিক অধিগ্ৰহিত নাকমুখী অশ্ৰু নলিকা ৰোধ (PANDO) আৰু ই 40ৰ অধিক বয়সৰ মহিলাৰ ক্ষেত্ৰত অতি সাধাৰণ।
  - নাকৰ সমস্যা, যেনে: বৃদ্ধি (পলিপছ) বা মুখৰ কোনো আঘাতৰ বাবে বিকৃত হোৱা নাকৰ এক হাড়।
  - ছাইনাছৰ সমস্যা, যেনে: সংক্ৰমণ, অস্ত্ৰোপচাৰৰ পিছৰ জটিলতা. এটা টিউমাৰ।

নাকমুখী অশ্ৰু নলিকা ৰোধ

নাকমুখী অশ্ৰু নলিকা ৰোধৰ চিকিত্সা কিয় কৰিব লাগে?

- যদি চকুৰ পৰা চকুপানী বৈ যাব নোৱাৰে, তৰলবোৰ চকুত জমা হৈ ৰৈ যায়, এটা পুখুৰীৰ দৰে, আৰু সংক্ৰমণৰ উত্স হ'ব পাৰে।

চিকিত্সা

ৰোধৰ কাৰণৰ ওপৰত নিৰ্ভৰ কৰি চিকিত্সা হ'ব। চিকিত্সাত অন্তঃভূক্ত থাকিব পাৰে:

- সংক্ৰমণৰ চিকিত্সা কৰিবলৈ আৰু ফুলি যোৱাটো হ্ৰাস কৰিবৰ বাবে, চকুৰ ড্ৰ'প।
- এটা বন্ধ হৈ থকা নলিকা খুলিবৰ বাবে অস্ত্ৰোপচাৰ।
- বৃদ্ধি আঁতৰাবলৈ বা হাড়ৰ বিকৃতি সঠিক কৰিবৰ বাবে অস্ত্ৰোপচাৰ।

নাকমুখী অশ্রু নলিকা ৰোধ

কেটেৰেক্ট

কেটেৰেক্ট

সমস্যাটো

- চকুৰ পিছফালে থকা ৰেটিনাত প্ৰতিচ্ছবি আপতিত কৰিবৰ বাবে চকুৰ লেন্স অতি আৱশ্যকীয়।
- চকুৰ লেন্স সাধাৰণতে স্পষ্ট হয়, যি চকুৰ ভিতৰলৈ পোহৰ পাৰ হৈ যাবলৈ দিয়ে।
- কেটেৰেক্ট হৈছে লেন্সৰ এক মেঘাচ্ছন্নতা- যি লেন্সক স্বচ্ছতাৰ পৰা গাখীৰৰ দৰে বগালৈ সলনি কৰে। এইটোৱে পোহৰক চকুলৈ পাৰহৈ যোৱাত বাধা প্ৰদান কৰে।
- এটা কেটেৰেক্ট আৰম্ভ হয় সৰুকৈ আৰু আৰম্ভণিতে দৃষ্টিত অতি কম প্ৰভাৱ পেলায়। কিন্তু ই সময়ৰ লগে লগে ডাঙৰ হৈ পৰে, যি অৱশেষত দৃষ্টিহীনতাৰ কাৰক হয়।
- কেটেৰেক্ট এটা চকুত বা দুয়োটা চকুতে হ'ব পাৰে।
- কেটেৰেক্ট সাধাৰণতে বয়স্ক লোকৰ মাজত সংঘটিত হয়, কিন্তু সেইবোৰ যিকোনো বয়সতে হ'ব পাৰে, নৱজাতকৰো।
- কেটেৰেক্ট চকুত আঘাত পোৱাৰ বাবেও হ'ব পাৰে।

কেটেৰেক্টৰ চিকিৎসা কিয় কৰিব লাগে?

- সময়ৰ লগে লগে, কেটেৰেক্টে চকুত পোহৰ সোমোৱাটো অধিক আৰু অধিক ৰোধ কৰে, যি দৃষ্টিশক্তিৰ হ্ৰাস আৰু অৱশেষত অন্ধ কৰি তুলে।

চিকিৎসা

- কেটেৰেক্টক আঁতৰাবলৈ কোনো ঔষধ বা পাৰম্পৰিক চিকিৎসা নাই।
- কেটেৰেক্টৰ চিকিৎসাৰ একমাত্ৰ উপায় হৈছে মেঘাচ্ছন্ন প্ৰাকৃতিক লেন্স আঁতৰাই ইয়াক এখন কৃত্ৰিম লেন্সৰ প্ৰতিস্থাপিত কৰা এটা অস্ত্ৰোপচাৰ।

[কেটেৰেক্ট হৈছে এখন খিৰিকিত থকা এটা লেতেৰা দাগৰ দৰে। লেতেৰা দাগটো যিমান ডাঙৰ হৈ গৈ থাকে, আপুনি সিমানেই কম আৰু কম দেখা পাব, যেতিয়ালৈকে আপুনি একো নেদেখা হয়।]

কেটেৰেক্ট



কেটেৰেক্ট



প্ৰাৰম্ভিক কেটেৰেক্ট



অগ্ৰণী কেটেৰেক্ট



চৰম কেটেৰেক্ট

কেটেৰেক্ট

স্বাভাৱিক

প্ৰাৰম্ভিক কেটেৰেক্ট

অগ্ৰণী কেটেৰেক্ট

চৰম কেটেৰেক্ট

কেটেৰেক্ট

স্বাভাৱিক



কেটেৰেক্ট



কেটেৰেক্ট অস্ত্ৰোপচাৰ



চকু খুলি ৰখা হয়



চকুৰ পৃষ্ঠত এটা সৰুকৈ কাট কৰা হ'য়



পুৰণা, মেঘাচ্ছন্ন লেন্স আঁতৰোৱা হ'ব



নতুন, কৃত্রিম লেন্স ভৰোৱা হ'ব

- ৰোগীগৰাকী সাৰ পাই থাকে।
- চকুটো আঁতৰোৱা নহয়।
- অস্ত্ৰোপচাৰটোৱে প্ৰায় 20 মিনিটমান সময় লয়।
- ৰোগীগৰাকীক এনাস্থেছিয়া প্ৰদান কৰা হ'ব: সাময়িক বা স্থানীয় বা, অতি বিৰল ক্ষেত্ৰত, সাধাৰণ এনাস্থেছিয়া।
- অস্ত্ৰোপচাৰৰ পিছত, চকুটোক এটা পেটচেৰে ঢাকি ৰখা হয়।
- ৰোগীগৰাকীক, অস্ত্ৰোপচাৰৰ পিছদিনা, নিশ্চিতভাৱে ক্লিনিকত চাব লাগিব।
- ৰোগীগৰাকীৰ সাধাৰণ স্বাস্থ্য আৰু তেওঁলোক ক্লিনিকৰ পৰা তেওঁলোক কিমান দূৰত বাস কৰে তাৰ ওপৰত নিৰ্ভৰ কৰি অস্ত্ৰোপচাৰৰ দিনাই ঘৰলৈ যাব পাৰে, বা চিকিৎসালয়তো থাকিব পাৰে।
- পিছদিনা পেটচটো আঁতৰাই দিয়া হ'ব আৰু ৰোগীজনে তত্ক্ষণাত দেখা পাব।

কেটেৰেক্ট অস্ত্ৰোপচাৰ

- ৰোগীগৰাকীক চকুৰ ড্ৰ'প প্ৰদান কৰা হ'ব, যিবোৰক সংক্ৰমণ ৰোধ কৰিবৰ বাবে, নিৰ্দেশ কৰা মতে ব্যৱহাৰ কৰিব লাগিব।
- যদি ৰোগীগৰাকীৰ দুয়োটা চকুতে কেটেৰেক্ট আছে, এটাৰ অস্ত্ৰোপচাৰ কৰা হ'ব আৰু দ্বিতীয়টোক কেইটামান সপ্তাহ বা মাহৰ পিছত কৰা হ'ব।
- অস্ত্ৰোপচাৰৰ পিছত কিছুমান লোকক চশমাৰ প্ৰয়োজন হ'ব পাৰে।

অস্ত্ৰোপচাৰৰ আগত

অস্ত্ৰোপচাৰৰ পিছত

গ্লুক’মা

গ্লুক’মা

সমস্যাটো

- চকুটো এটা স্বচ্ছ পানীৰ দৰে পদাৰ্থৰে ভৰি থাকে।
- এই পানীবোৰ অবিৰতভাৱে তৈয়াৰ হৈ থাকে আৰু তাৰ পিছত বৈ যায়, যাৰ বাবে চকুটোত সদায় সমান পৰিমাণৰ পানী থাকে।
- যদি চকুটোৰ পৰা পানী ওলাই যোৱা মুখখন বন্ধ হৈ থাকে, অধিক আৰু অধিক পানী চকুটোত থাকি যায়, যি চকুৰ চাপ বৃদ্ধি কৰে।
- বৰ্ধিত চাপে চকুৰ ক্ষতি সাধন কৰিব পাৰে আৰু দৃষ্টিশক্তি হ্ৰাস আৰু তাৰ পিছত দৃষ্টিহীনতাৰ সৃষ্টি কৰিব পাৰে।
- এই অৱস্থাটোক গ্লুক’মা বুলি কোৱা হয়।

এই গ্লুক’মাৰ চিকিত্সা কিয় কৰিব লাগে?

- যদি গ্লুক’মাৰ চিকিত্সা কৰা নহয়, ই পাৰ্শ্ব দৃষ্টিশক্তি হ্ৰাস বা দৃষ্টিহীনতা সৃষ্টি কৰিব পাৰে।
- চকুৰ ক্ষতি আৰু দৃষ্টিশক্তি হেৰোৱাটোক কেটেৰেক্টৰ দৰে নোহোৱা কৰিব নোৱাৰি।

চিকিত্সাসমূহ

- গ্লুক’মা নিৰাময়ৰ বাবে কোনো পাৰম্পৰিক চিকিত্সা নাই।
- চকুৰ চাপ হ্ৰাস কৰিবৰ বাবে চকুৰ ড্ৰ'প আছে। এই ড্ৰ'পসমূহক নিশ্চিতভাৱে নিয়মিতভাৱে ব্যৱহাৰ কৰিব লাগিব।
- চকুৰ ভিতৰৰ চাপ আৰু পাৰ্শ্ব দৃষ্টিশক্তি নিয়মিতভাৱে পৰীক্ষা কৰিব লাগে।
- যদি চকুটোৰ ক্ষতি আৰু পাৰ্শ্ব দৃষ্টিশক্তিৰ ক্ষয় অব্যাহত থাকে, চিকিত্সা কৰা সত্বেও, দৃষ্টিহীনতা ৰোধ কৰিবৰ বাবে লেজাৰ চিকিত্সা বা অস্ত্ৰোপচাৰৰ (তিনিওটাৰ মাজত সৰ্বাধিক কাৰ্যকৰী) প্ৰয়োজন হ'ব।

[আপোনাৰ চকুটো এটা পানীৰ টেংকিৰ দৰে - পানী বৈ আহে আৰু পানী বৈ যায়। যদি বহিৰ্গামী নলটো বন্ধ থাকে, পানী বাহিৰলৈ ওলাই যাব নোৱাৰে, আৰু পানীৰ টেংকিটোৰ বিস্ফোৰণ হ'ব। ইয়াক সংশোধিত কৰিবৰ বাবে, আপুনি নিশ্চিতভাৱে বহিৰ্গামী নলটো ঠিক কৰিব লাগিব বা এটা নতুন বহিৰ্গামী নল ব্যৱহাৰ কৰিব লাগিব।]

স্বাভাৱিক



গ্লুক’মা


গ্লুক’মা
1
বন্ধ হৈ থকা
তৰল পদাৰ্থ
বহনকাৰী নলী
2
তৰল পদাৰ্থ
গঠন হোৱা
3
চকুৰ
আভ্যন্তৰত
বৰ্ধিত চাপ

গ্লুক'মা



স্বাভাৱিক



প্ৰভাৱিত



চিকিত্সা প্ৰদানিত

গ্লুক’মা - দৃশ্য ক্ষেত্ৰত প্ৰভাৱ

স্বাভাৱিক

প্ৰাৰম্ভিক গ্লুক’মা

অগ্ৰণী গ্লুক’মা

চৰম গ্লুক’মা

রেটিনা

ডায়েবেটিক ৰেটিন'পেথি

সমস্যাটো

- চকুৰ পিছফালে থকা ৰেটিনাৰ বহুতো সৰু সৰু ৰক্তবাহিকা আছে।
- যেতিয়া তেজৰ শৰ্কৰা অতি বেছি হৈ থাকে (ডায়েবেটিছ), এই সৰু ৰক্ত বাহিকাবোৰ ভাঙিব পাৰে আৰু তেজ বা পানী চকুলৈ নিসঃৰিত হ'ব পাৰে আৰু ৰেটিনাখনৰ ক্ষতি কৰিব পাৰে।
- ই নতুন ৰক্তবাহিকা বৃদ্ধি হৈ ৰেটিনালৈ পোহৰ যোৱাক বাধা দিয়াৰ কাৰক সৃষ্টি কৰিব পাৰে।
- প্ৰাৰম্ভিক স্তৰত, কোনো লক্ষণ নাথাকে।
- পিছৰ স্তৰসমূহত, ওপঙি ফুৰা দাগ আৰু ধূসৰ দৃষ্টিশক্তি।
- সকলো ধৰণৰ ডায়েবেটিছ ৰোগীৰ বাবে ডায়েবেটিক ৰেটিন'পেথি অতি সাধাৰণ।

ডায়েবেটিক ৰেটিন'পেথিৰ চিকিত্সা কিয় কৰিব লাগে?

- যদি চিকিত্সা কৰা নহয়, ডায়েবেটিক ৰেটিন'পেথিয়ে গুৰুতৰ দৃষ্টিশক্তি ক্ষয় বা দৃষ্টিহীনতাৰ সৃষ্টি কৰিব পাৰে।

চিকিত্সাসমূহ

- তেজত শৰ্কৰাৰ স্তৰ নিয়ন্ত্ৰিত কৰি ৰখাটো অতি প্ৰয়োজনীয়।
- চকুৰ ক্ষতিক প্ৰতিৰোধ কৰিবৰ বাবে যিমান পাৰে সিমান সোনকালে চিকিত্সা আৰম্ভ কৰাটো অত্যাৱশ্যকীয়।
- নতুন ৰক্তবাহিকাৰ বৃদ্ধি আৰু পানী বাহিৰ হোৱাৰ পৰা বাধা দিবৰ বাবে চকুত ঔষধ বেজীৰে প্ৰদান কৰা হয়।
- লেজাৰ চিকিত্সা, পানীৰ বাহিৰ হোৱাটোক হ্ৰাস কৰিবৰ বাবে।
- গুৰুতৰ ক্ষেত্ৰত, অস্ত্ৰোপচাৰ হস্তক্ষেপৰ প্ৰয়োজন হয়।
- এই সমস্যাটোৰ চিকিত্সাৰ বাবে সকলো চকুৰ ক্লিনিকত সুবিধা নাথাকে আৰু ৰোগীক অন্য এখন ক্লিনিকলৈ পঠিয়াব লগীয়া হ'ব পাৰে।
- এই অৱস্থাৰ বাবে কোনো পাৰম্পৰিক চিকিত্সা নাই।

ডায়েবেটিক ৰেটিন'পেথি


স্বাভাৱিক ৰেটিনা
ৰেটিনা
ৰক্ত বাহিকা
ডায়েবেটিক ৰেটিন'পেথি
মাইক্ৰ'এনিউৰিজম
নতুন ৰক্তবাহিকাৰ প্ৰসাৰ

ডায়েবেটিক ৰেটিন'পেথি

স্বাভাৱিক

প্ৰাৰম্ভিক ডায়েবেটিক ৰেটিন'পেথি

অগ্ৰণী ডায়েবেটিক ৰেটিন'পেথি

চৰম ডায়েবেটিক ৰেটিন'পেথি

ৰেটিনাৰ স্খলন আৰু ৰেটিনাৰ ফাট

সমস্যাটো

- ৰেটিনাই চকুৰ পিছফালৰ বেৰখনক ৰেখাবদ্ধ কৰে আৰু ই দৃষ্টিশক্তিৰ বাবে দায়বদ্ধ।
- চকুৰ পিছফালটো এটা ডাঠ পনীয়া জেলেৰে পূৰ্ণ হৈ থাকে, যাক ভিট্ৰিয়াছ বুলি কোৱা হয়। কেতিয়াবা, আমাৰ বয়সৰ লগে লগে, এই তৰল জেলবোৰ পাতল আৰু সংকুচিত হৈ যাব পাৰে, যি চকুৰ পিছফালৰ পৰা ৰেটিনাক আঁতৰাই নিয়ে।
- চকুৰ পিছফালৰ পৰা ৰেটিনাখন আঁতৰাই নিয়াৰ বাবে, ৰেটিনা ফাঁটিব পাৰে, যাৰ বাবে ৰেটিনা আৰু চকুৰ পিছফালৰ মাজেৰে পানী পাৰ হৈ যাব পাৰে। এইটো সংঘটিত হোৱাৰ লগে লগে, ৰোগীগৰাকীয়ে পোহৰৰ চমক দেখা পাব পাৰে।
- ছিন্ন হোৱা ৰেটিনাৰ এটা সৰু অংশ তৰলসমূহত ওপঙি আহিব পাৰে আৰু দৃশ্য পটৰ মাজেৰে ওপঙি ফুৰা এটা ক'লা পেটচ যেন দেখা যায়। এইবোৰক কোৱা হয় "ফ্ল'টাৰ্ছ"। সকলোবোৰ ফ্ল'টাৰ্ছ ৰেটিনাৰ স্খলনৰ বাবে নহয় আৰু এটা গুৰুতৰ চকুৰ সমস্যাৰ ইঙ্গিত বহন নকৰিবও পাৰে।
- যদি চকুৰ পিছফালে সংলগ্ন হৈ নাথাকে তেন্তে ৰেটিনাই সঠিকমতে কাম কৰিব নোৱাৰে আৰু স্খলন বা ফাট খোৱা স্থানত দৃষ্টি ধূসৰ হৈ পৰে, যি দৃষ্টি পটৰ কাষত এটা ছাঁ বা পৰ্দাৰ দৰে দেখা যায়।
- ৰেটিনাৰ স্খলন আৰু ৰেটিনাৰ ফাট অধিকতৰভাৱে বয়স্ক লোকসকলৰ মাজত দেখা পোৱা যায়, কিন্তু ই আঘাত প্ৰাপ্ত, প্ৰায়ে উচ্চ প্ৰভাৱশালী খেলৰ দ্বাৰা, কম বয়স্ক লোকৰো হ'ব পাৰে।
- ৰেটিনাৰ স্খলন প্ৰায়ে সেইসকল লোকৰ মাজত পোৱা যায় সি অতিশয় মায়'পিক (নিকটদৃষ্টিসম্পন্ন)। গুৰুতৰ মায়'পিয়া থকা লোকসকলে ৰেটিনাৰ বিছিন্নতাৰ বাবে নিয়মিয়াভাৱে পৰীক্ষা কৰাব লাগে।

ৰেটিনাৰ স্খলনৰ চিকিত্সা কিয় কৰিব লাগে?

- যদি শীঘ্ৰেই চিকিত্সা কৰা নহয়, ছিঙা বা বিছিন্ন হোৱা ৰেটিনাই গুৰুতৰ দৃষ্টি শক্তিৰ ক্ষয় আৰু দৃষ্টিহীনতাৰ সৃষ্টি কৰিব পাৰে।

ৰেটিনাৰ স্খলন আৰু ৰেটিনাৰ ফাট

চিকিত্সাসমূহ

- চিকিত্সা লক্ষ্য হৈছে ৰেটিনাৰ কোনো ছিঙা বা ফটা অংশৰ মেৰামতি আৰু ৰেটিনাৰ স্খলিত অংশক চকুৰ ভিতৰৰ বেৰৰ বিপৰীতলৈ লৈ যোৱা।
- সকলো চিকিত্সাৰ বাবে চকুৰ অস্ত্ৰোপচাৰৰ প্ৰয়োজন হয়, য'ত চকুৰ বগা অংশত এটা বা দুটা সৰু কাট কৰা হয়।
- ৰেটিনাৰ ফাট এক লেজাৰ বা হিমায়িত পদ্ধতি ব্যৱহাৰ কৰি ঠিক কৰা হয়।
- চকুৰ ভিতৰৰ বেৰৰ বিপৰিতে ৰেটিনাক ঠেলি পঠিয়াবলৈ, চকুত গেছ বা তেল সোমোৱাই স্খলিত হোৱা ৰেটিনাৰ অংশ এটাক ঠিক কৰা হয়। গেছ বা তেলখিনিক শৰীৰে শুহি ল'ব আৰু নতুন ভিট্ৰেয়াছ তৰলেৰে প্ৰতিস্থাপিত কৰিব।
- ৰেটিনাৰ স্খলন আৰু ৰেটিনাৰ ফাটৰ চিকিত্সা স্খলন আৰু ফাটৰ অৱস্থান আৰু আকাৰৰ ওপৰত নিৰ্ভৰ কৰে। সফলতাৰ অধিক গুৰুত্বপূৰ্ণ কাৰকটো হৈছে শীঘ্ৰ চিকিত্সা। যিমান সোনকালে সমস্যাটো বিচাৰি পোৱা আৰু চিকিত্সা কৰা হয়, সফলতাৰ সুযোগ সিমানেই বেছি হয়।
- সকলো চকুৰ ক্লিনিক এটা ফটা বা স্খলিত হোৱা ৰেটিনাক ঠিক কৰিবলৈ সাজু নহয় আৰু ৰোগীক এক বিশেষজ্ঞ ক্লিনিকলৈ পঠিয়াব পাৰে।
- এই অৱস্থাৰ বাবে কোনো পাৰম্পৰিক চিকিত্সা বা ঔষধ নাই।

ৰেটিনাৰ স্খলন আৰু ৰেটিনাৰ ফাট



ৰেটিনাৰ স্খলন আৰু ৰেটিনাৰ ফাট চিকিত্সা



ৰেটিনাৰ স্খলন

স্বাভাৱিক

ফ্ল'টাৰ্ছ

আংশিক স্খলন

সম্পূৰ্ণ স্খলন

প্ৰতিসৰণ দোষ

প্ৰতিসৰণ দোষ

এটা স্বাভাৱিক চকুৰ আকৃতি এটা সঠিকভাৱে ঘূৰণীয়া বলৰ দৰে। চকুৰ সন্মুখেদি পোহৰ সোমাই আৰু লেন্সৰ মাজেৰে পাৰ হৈ যায়। লেন্সসমূহ স্বচ্ছ আৰু নমনীয়। লেন্সৰ লগত সংলগ্ন হৈ থকা পেশীসমূহে লেন্সৰ আকৃতি সলনি কৰিব পাৰে, যি চকুৰ পিছফালে ৰেটিনাত বস্তুটো স্পষ্টভাৱে আপতিত হ'বলৈ দিয়ে।

মায়'পিয়া- নিকটদৃষ্টি

যদি চকুটো স্বাভাৱিকতকৈ ডাঙৰ হয়, লেন্সখনে পোহৰক ৰেটিনাৰ সন্মুখত আপতিত কৰিব। ইয়াক মায়'পিয়া বা নিকটদৃষ্টি বুলি কোৱা হয়, কাৰণ আপুনি ওচৰতে থকা বস্তুবোৰ দেখা পায়, কিন্তু দূৰত থকা বস্তু বোৰ ধূসৰিত হয়।

হাইপাৰ'পিয়া- দূৰদৃষ্টি

যদি চকুটো বহুত চুটি হয়, লেন্সখনে পোহৰক ৰেটিনাৰ পিছফালে আপাতিত কৰিব। ইয়াক হাইপাৰ'পিয়া বা দূৰদৃষ্টি বুলি কোৱা হয়, কাৰণ আপুনি দূৰত থকা বস্তুবোৰ দেখা পায়, কিন্তু ওচৰতে থকা বস্তু বোৰ ধূসৰিত হয়।

বিষমদৃষ্টি

পোহৰ লেন্সত পৰাৰ আগতে, ই চকুৰ বহিঁ তৰপ, কৰ্ণিয়াৰ মাজেৰে পাৰ হৈ যাব লাগিব। কৰ্ণিয়া আকৃতিত ঘূৰণীয়া হ'ব লাগে। যদি কৰ্ণিয়া ঘূৰণীয়া নহয়, বৰঞ্চ আকৃতিত বিষম হয়, ই পোহৰক বক্ৰ কৰি তুলিব আৰু সকলো প্ৰতিচ্ছবি ধূসৰিত কৰিব।

প্ৰেছবায়'পিয়া

আমাৰ বয়স যিদৰে বাঢ়ি গৈ থাকে, লেন্সসমূহ কঠিন আৰু কম নমনীয় হৈ যায় আৰু বয়স হোৱা পেশীবোৰে প্ৰতিচ্ছবিক আপাতিত কৰিবৰ বাবে লেন্সক টানিবলৈ কম সক্ষম হয়, ,বিশেষ ভাৱে চকুৰ ওচৰতে থকা বস্তুবোৰৰ বাবে। প্ৰেছবায়'পিয়াই দুয়োটা বা কেৱল এটা চকুক প্ৰভাৱিত কৰিব পাৰে। 35 বছৰৰ ওপৰৰ যিকোনো লোকৰেই প্ৰেছবায়'পিয়া হ'ব পাৰে।

আপোনাৰ যদি ইতিমধ্যেই মায়'পিয়া(নিকটদৃষ্টি) বা হাইপাৰ'পিয়া (দূৰদৃষ্টি) আছে তেতিয়াও প্ৰেছবায়'পিয়া হোৱাটো সম্ভৱপৰ।

প্ৰতিসৰণ দোষ

প্ৰতিসৰণ দোষৰ চিকিত্সা কিয় কৰিব লাগে?

প্ৰতিসৰণ দোষৰ চিকিত্সাই ৰোগীগৰাকীৰ স্পষ্টভাৱে দেখা পোৱাৰ ক্ষমতা উন্নত কৰিব, যাতে পঢ়া, কাম কৰা, গাড়ী চলোৱা, খেল খেলা আৰু জীৱন সম্পূৰ্ণভাৱে উপভোগ কৰিব পাৰে।

চিকিত্সা

- প্ৰতিসৰণ দোষ উন্নত কৰিবলৈ চকুৰ ব্যায়াম দেখুওৱা হোৱা নাই।
- সকলো প্ৰতিসৰণ দোষেই চশমা ব্যৱহাৰৰ দ্বাৰা ঠিক কৰিব পাৰি।
- চকুৰ বা কৰ্ণিয়াৰ অস্বাভাৱিক আকৃতিৰ বাবে চশমা ঠিক হয় আৰু ৰেটিনাত পোহৰ, সঠিকভাৱে আপাতিত কৰে।
- চশমা পিন্ধি থাকিলে চকু অধিক বেয়া নহয়।
- চকুৰ বা কৰ্ণিয়াৰ আকৃতি, কন্টেক্ট লেন্স আৰু প্ৰতিসৰণ অস্ত্ৰোপচাৰেও ঠিক কৰিব পাৰে।
- বাৰ্ষিক চকুৰ পৰীক্ষা অতি প্ৰয়োজনীয় কাৰণ গ্লাছৰ পাৱাৰ সময়ৰ লগে লগে সলনি হ'ব পাৰে।

প্ৰতিসৰণ দোষ

স্বাভাৱিক

মায়'পিয়া

হাইপাৰ'পিয়া

বিষমদৃষ্টি

স্বাভাৱিক দৃষ্টি



মায়'পিয়া



হাইপাৰ'পিয়া



হাইপাৰ'পিয়া চকু হৈছে দৈৰ্ঘ্যত চুটি
ৰশ্মি কেন্দ্ৰ নাভি বিন্দুৰ পৰা বিচ্যুত হয় আৰু ৰেটিনাৰ পিছফালে আপতিত হয়

বিষমদৃষ্টি



প্ৰেছবায়'পিয়া



স্বাভাৱিক দৃষ্টি
পোহৰ
নাভি বিন্দু
প্ৰেছবায়'পিয়া
নাভি বিন্দু ৰেটিনাৰ পিছফাললৈ বিচলিত হয়
পোহৰ
বয়সৰ বাবে জঠৰ হৈ পৰা লেন্স

চশমাই কি দৰে কাম কৰে





শিশুস্বাস্থ্য

শিশুৰ চকুৰ বিসংগতি আৰু চিকিৎসা

পাতনি

নৱজাতক, শিশু আৰু সৰু ল'ৰা-ছোৱালীও বয়স্কসকলৰ দৰে বহুতো একেধৰণৰ বাহ্যিক আৰু আভ্যন্তৰিণ চকুৰ বিসংগতিত ভূগিব পাৰে, য'ত প্ৰায়ে বৃদ্ধ অৱস্থাৰ লগত জড়িত সমূহো অন্তৰ্ভূক্ত হয়, যেনে কেটেৰেক্ট আৰু গ্লুক'মা। তথাপিও, কিছুমান বিসংগতি, কম বয়সীয়া ল'ৰা ছোৱালীৰ ক্ষেত্ৰত অধিক সাধাৰণ বা অনন্য, যেনে ৰেটিন'ব্লাষ্টমা, কেঁৰাচকু, আৰু ৰেটিন'পেথি অফ প্ৰিমেচুৰিটি।

দ্যা আই বুকৰ এই খণ্ডটোৱে শিশু ৰোগীসকলৰ মাজত সাধাৰণভাৱে বিচাৰি পোৱা বিসংগতিসমূহৰ সম্পূৰ্ণ পৰিসৰ আলোচনা কৰিব। চিত্ৰসমূহ শিশু ৰোগীসকলক দেখুওৱাবৰ বাবে উপযোগীকৈ ৰখা হৈছে আৰু পাঠসমূহে সেইবোৰ ক্ষেত্ৰত জোৰ দিছে য'ত বিসংগতিটোৰ প্ৰকৃতি আৰু চিকিত্সাৰ বিকল্পসমূহ বয়স্ক লোকসকলৰ পৰা পৃথক।

বয়স্ক ৰোগী আৰু শিশু ৰোগীৰ, বিশেষকৈ যিসকলৰ বয়স দুবছৰতকৈ কম, চিকিত্সাৰ সকলোতকৈ গুৰুত্বপূৰ্ণ পাৰ্থক্যটো চিকিত্সাৰ সময়ৰ লগত জড়িত। বয়স্কলোকসকলৰ ক্ষেত্ৰত, ৰেটিনালৈ পোহৰ পাৰ হোৱাটো হ্ৰাস কৰা বা বিকৃত কৰা অৱস্থাসমূহৰ, যেনে প্ৰতিসৰণ দোষ, কেঁৰা চকু, অক্ষপক্ষ পতন, টেৰিজিয়াম আৰু কেটেৰেক্ট, চিকিত্সাত পলম কৰিলে ইয়াৰ চিকিত্সাৰ ফলাফলত সাধাৰণতে কোনো বিৰোপ প্ৰভাৱ নেপেলায়। বাঢ়ি গৈ থকা অৱস্থাসমূহ, যেনে সংক্ৰমণ, গ্লুক'মা, আৰু ডায়েবেটিক ৰেটিন'পেথি, স্পষ্টভাৱে যিমান শীঘ্ৰে পাৰি চিকিত্সা কৰিব পাৰে, যাতে চকুৰ অধিক ক্ষতি হোৱাতো কম কৰিব পাৰি।

শিশুৰোগীসকলৰ ক্ষেত্ৰত, কিন্তু, চকুলৈ ৰশ্মি পাৰ হোৱাৰ পৰিমাণ কম কৰা, ৰেটিনাক উত্তেজিত কৰা, আৰু দৃশ্যপটৰ বাহিৰলৈ সংকেত পঠিওৱা যিকোনো অৱস্থাই, মস্তিস্কৰ চাবলৈ শিকাৰ ক্ষমতাৰ ওপৰত বিৰোপ প্ৰভাৱ পেলাব আৰু পৰিণতিত স্থায়ীভাৱে দৃষ্টিশক্তিৰ হেৰোৱাব লগা হ'ব পাৰে। বাঢ়ি গৈ থকা অৱস্থাসমূহক, যদি শীঘ্ৰে চিকিত্সা কৰা নহয়, শিশুটোৰ দৃষ্টি ক্ষমতাক স্থায়ীভাৱে হ্ৰাস কৰিব পাৰে। গতিকে, শিশুৰ সকলো চকুৰ বিসংগতিক যিমান পাৰে সোনকালে চিকিত্সা কৰাটো আৱশ্যকীয়।

পৰৱৰ্তী পৃষ্ঠাসমূহে ৰোগীক আৰু এই ৰোগীসকলৰ প্ৰতিপালনকাৰীক চিকিত্সাৰ আশু আৱশ্যকতাৰ বিষয়ে বাখ্যা কৰিব।

শিশুৰ চকুৰ বিসংগতি আৰু চিকিত্‍সা

চাবলৈ শিকা

এই কথাটো ভাবিবলৈ অতি সহজ যে আমি আমাৰ চকুৰে চাওঁ। প্ৰকৃততে, আমি আমাৰ মস্তিস্কৰে চাওঁ।

- আমাৰ চকুৰ মাজেৰে পোহৰ সোমাই এটুকুৰা বিশেষ স্থানলৈ গতি কৰে, আমাৰ মুৰৰ পিছফালে-আমাৰ মস্তিস্কৰ পিছলৈ।
- আমি সকলোৱে চাবলৈ শিকিব লাগে। এটা শিশুৰ জীৱনৰ প্ৰথম 2 বছৰ সময়ত এটা মস্তিস্কই চাবলৈ শিকে।
- যদি এটা শিশুৰ চকুৰ সমস্যা থাকে, যেনে টেৰিজিয়াম, অক্ষপক্ষ পতন, কেটেৰেক্ট, ৰেটন'ব্লাষ্টমা, কেঁৰা চকু বা প্ৰতিসৰণ দোষ, তেন্তে পোহৰ চকুত সোমাই মস্তিস্কলৈ গতি কৰিব নোৱাৰে । যদি মস্তিস্কৰ এই অংশটোৱে পৰ্য্যাপ্ত পোহৰ নাপায়, এই বিশেষ কোষবোৰ বৃদ্ধি নহয় আৰু সঠিকভাৱে কাম নকৰে।
- গছৰ পুলি এটাৰ কথা ভাবক। যদি ই পৰ্য্যাপ্ত পোহৰ পাই, ই বৃদ্ধি হ'ব। যদি ই পোহৰ নাপায়, ই বৃদ্ধি নহয়।
- যদিও পিছৰ জীৱনত চকু ঠিক কৰাও হয়, শিশুটোৱে সঠিকভাৱে দেখা নাপাবও পাৰে।
- সেই বাবেই এই সমস্যাটোক, আৰু অধিক অপেক্ষা নকৰি, এতিয়াই ঠিক কৰাটো প্ৰয়োজনীয়।
- যদি চকুৰ সমস্যা এটা পিছৰ জীৱনত আৰম্ভ হয়, মস্তিস্কই ইতিমধ্যেই চাবলৈ শিকে আৰু যেতিয়া সমস্যাটোৰ সংশোধন কৰা হয়, ব্যক্তি গৰাকীয়ে সঠিকভাৱে চাবলৈ সক্ষমিত হয়।

শিশুৰ চকুৰ বিসংগতি আৰু চিকিত্‍সা



শিশুৰ চকুৰ বিসংগতি আৰু চিকিত্সা





এমব্লায়’পিয়া (এলেহুৱা চকু)

সমস্যাটো

- আমাৰ দুটা চকু আছে আৰু মস্তিস্কৰ পিছফালে প্ৰতিটো চকুৰে নিজস্ব স্থান আছে, য'ত দৃষ্টি সংঘটিত হয়- য'ত আমি দেখা পাওঁ। যেতিয়া দুয়োটা চকু ঠিকে থাকে, মস্তিস্কৰ দুয়োটা অংশই স্বাস্থ্যৱান হৈ থাকে। যদি এটা চকু ঠিকে নাথাকে, মস্তিস্কৰ সেই অংশটোৱে সঠিকভাৱে চাবলৈ নিশিকে।
- যদি এটা চকুৱে সঠিকভাৱে কাম কৰি থাকে, কিন্তু আনটোৱে নকৰে, মস্তিস্কই ভালহৈ থকা চকুটোৰ প্ৰতি মনোযোগ দিবলৈ শিকিব আৰু সঠিকভাৱে কাম নকৰাটোক এৰাই চলিব।
- এই অৱস্থাটোক এমব্লায়’পিয়া বা "এলেহুৱা চকু" বুলি কোৱা হয়। প্ৰকৃততে এনে নহয় যে, চকুটো এলেহুৱা, কিন্তু মস্তিস্কৰ সেই অংশটো য'ত এই চকুটোৱে ইয়াৰ প্ৰতিবিম্বক পঠিয়াই, সেইটো বিকাশ নাই হোৱা আৰু সঠিকভাৱে কাম কৰা নাই।
- চকুটোক মস্তিস্কলৈ পোহৰ পঠিওৱাত বাধা দিয়া বা হ্ৰাস কৰা যিকোনো চকুৰ সমস্যাৰ বাবেই এমব্লায়’পিয়া হ'ব পাৰে। ইয়াত অন্তৰ্ভুক্ত আছে: অক্ষপক্ষ পতন, টেৰিজিয়াম, কেটেৰেক্ট, গ্লকোমা, প্ৰতিসৰণ দোষ যি এটা চকুৰ বাবে অধিক গুৰুতৰ, আৰু কেঁৰা চকু (বক্ৰদৃষ্টি)।

এমব্লায়'পিয়াৰ চিকিত্সা কিয় কৰিব লাগে?

- প্ৰথমতে, চকুটোৱে সঠিকভাৱে চাব নোৱাৰা সমস্যাটোৰ চিকিত্সা কৰাটো প্ৰয়োজনীয়।
- তাৰপিছত, মস্তিস্কৰ, প্ৰভাৱিত অংশটোক, সঠিকভাৱে চাবলৈ শিকোৱাটো প্ৰয়োজনীয়। যদি এনে কৰা নহয়, মস্তিস্কই কেতিয়াও চাবলৈ নিশিকিব আৰু শিশুটোৱে কেতিয়াও সেই প্ৰভাৱিত অংশটোত ভাল দৃশ্য দেখা নাপাব।

চিকিত্সাসমূহ

- কেতিয়াবা, দূৰ্বল চকুটোৰ দৃষ্টিশক্তিক উন্নত কৰা, চশমা(গ্লাছ)য়ে পৰ্য্যাপ্ত হয়।
- প্ৰায়ে, অধিকভাৱে কাৰ্যকৰী হোৱা চিকিত্সাটো হৈছে ভাল চকুটোক ঢাকি (আবুৰ কৰি) দিয়া, যি শিশুটোক দূৰ্বল চকুটোৰে চাবলৈ আৰু মস্তিস্কক অধিক ভালকৈ চাবলৈ বাধ্য কৰিব।
- ভাল চকুটোক ঢাকি ৰখাৰ আন এটা বিকল্প হ'ল, এন্ট্ৰ'পাইন নামৰ এটা বিশেষ চকুৰ ড্ৰ'পৰ ব্যৱহাৰ, যি ভাল চকুটোৰ আপাতনৰ ক্ষমতাক হ্ৰাস কৰে আৰু ঢকাৰ দৰে একে প্ৰভাৱ প্ৰদান কৰে। এই চিকিত্সা সৰু ল'ৰা ছোৱালীৰ বাবে উপযুক্ত যি এটা পেটচ পিন্ধিব নিবিচাৰে বাবে পিন্ধিব নোৱাৰে।

এমব্লায়'পিয়া (এলেহুৱা চকু)



স্বাভাৱিক



এমব্লায়'পিয়া

চকুৰ বগা মণি

চকুৰ মণি বগা হোৱাটো এটা গুৰুতৰ চকু বেমাৰৰ লক্ষণ। চকুৰ মণি বগা হোৱা সকলো শিশুকেই তত্ক্ষণাত এগৰাকী চকু বিশেষজ্ঞলৈ পঠিয়াব লাগে।

বাহ্যিক রোগ

কনজাংটিভাইটিছ

সমস্যাটো

- কনজাংটিভাইটিছ, পিংক আই বুলিও কোৱা হয়, ই হৈছে কনজাংটিভাৰ এক প্ৰদাহ, যি হৈছে চকুৰ বগা অংশক আৱৰি ৰখা আৰু চকুৰ পতাৰ অভ্যন্তৰত ৰেখাৰ সৃষ্টি কৰা এক পাতল স্বচ্ছ কলা।
- **নৱজাতকৰ কনজাংটিভাইটিছ** প্ৰায়ে গনোৰিয়াৰৰ সংক্ৰমণ থকা এগৰাকী মাতৃৰ পৰা সৰবৰাহ হয়। এইটো এটা গম্ভীৰ আৰু কেইদিনমান বা সপ্তাহৰ ভিতৰতে সাম্ভাব্যৰূপে দৃষ্টিহীন কৰা ৰোগ।
- **এলাৰ্জিক কনজাংটিভাইটিছ** দীৰ্ঘস্থায়ী আৰু অতি গুৰুতৰ হ'ব পাৰে। অনিষ্টকাৰী পাৰম্পৰিক ঔষধ বা অনাভিজ্ঞ চিকিত্সা কৰ্মীৰ দ্বাৰা ষ্টেৰয়ড চকুৰ ড্ৰ'পৰ অধিক ব্যৱহাৰে কেটেৰেক্ট বা গ্লুক'মাৰ সৃষ্টি কৰিব পাৰে।
- **কনজাংটিভাইটিছ** ট্ৰেকোমাৰ লগতো যুক্ত হৈ থাকিব পাৰে, যিবোৰ স্থানত এই ৰোগটো পোৱা যায়।
- লক্ষণসমূহ হ'ব পাৰে খজুৱা আৰু পানী ওলোৱা, আৰু কেতিয়াবা এক আঠাযুক্ত হালধীয়া চামনি।
- কনজাংটিভাইটিছ এটা বা দুয়োটা চকুতে হ'ব পাৰে।
- ই এলাৰ্জী, আঘাত বা ধূলি অথবা ৰাসায়নিক দ্ৰব্যৰ প্ৰতিক্ৰিয়াৰ ফলতো হ'ব পাৰে।

কনজাংটিভাইটিছৰ চিকিত্সা কিয় কৰিব লাগে?

- যদি কনজাংটিভাইটিছটো এটা সংক্ৰমণৰ ফলত হৈছে, তেন্তে সংক্ৰমণটো আনটো চকুলৈ বা অন্য শিশু বা বয়স্কলোকলৈ সোঁচৰিব পাৰে।
- যদি কনজাংটিভাইটিছটো এটা ৰাসায়নিক দ্ৰব্যৰ প্ৰতিক্ৰিয়াৰ ফলত হৈছে, তেন্তে যদি জৰুৰীভাৱে উল্লেখ আৰু চিকিত্সা নকৰে ই চকুটোৰ স্থায়ী ক্ষতি কৰিব পাৰে।

চিকিত্সাসমূহ

- সংক্ৰমণৰ চিকিত্সা কৰিবৰ বাবে বা প্ৰদাহ হ্ৰাস কৰিবৰ বাবে, সৰ্বাধিক সাধাৰণ চিকিত্সাটো হৈছে চকুৰ ড্ৰ'প বা মলম। ভাইৰেল কনজাংটিভাইটিছ সাধাৰণতে মৃদু হয় আৰু অলপ দিনৰ ভিতৰত নিজেই ঠিক হৈ যায়। বেক্টেৰিয়েল কনজাংটিভাইটিছক, কিন্তু প্ৰায়ে এন্টিবায়টিক চকুৰ ড্ৰ'প বা মলমেৰে চিকিত্সা কৰা হয়, যদিও মৃদু হ'লে ই কেইদিনমানৰ ভিতৰতে ঠিক হ'ব পাৰে।
- যদি কনজাংটিভাইটিছ এটা এলাৰ্জীৰ ফলত হৈছে, তেন্তে এলাৰ্জী-ৰোধক ঔষধ প্ৰদান কৰিব পাৰে।
- শিশুটোৱে গোটেই দিনটোত, প্ৰায়ে, হাত ধুই থকাটো অতি প্ৰয়োজনীয়।
- যদি চকু মচিবলৈ শিশুটোৱে এখন টাৱেল ব্যৱহাৰ কৰিছে, তেওঁলোকে ইয়াক আনৰ সৈতে ভগাই ল'ব নালাগে, কাৰণ ই সংক্ৰমণ বিয়পাব।
- শিশুটোক চকুটো মোহাৰি থকাৰ পৰা বিৰত ৰাখিবলৈ চেষ্টা কৰক।
- কনজাংটিভাইটিছ হোৱা শিশুসকল বিদ্যালয় বা শিশু যত্ন কেন্দ্ৰলৈ যাব নালাগে।
- কেইসপ্তাহমানৰ ভিতৰত যদি লক্ষণসমূহ আঁতৰি নাযায়, ক্লিনিকলৈ পুনৰ আহক।

কনজাংটিভাইটিছ



অক্ষপক্ষ পতন

সমস্যাটো

- অক্ষপক্ষ পতন হৈছে চকুৰ পতাক ধৰি ৰখা পেশীৰ দুৰ্বলতাৰ ফলত চকুৰ ওপৰৰ পতা জাপ খোৱা।
- অধিকতৰভাৱে ই প্ৰায়ে এটা চকুত হয়, কিন্তু ই দুয়োটা চকুতে হ'ব পাৰে।
- নৱজাতক বা সৰু ল'ৰা-ছোৱালীৰ হ'ব পাৰে।

অক্ষপক্ষ পতনৰ চিকিত্সা কিয় কৰিব লাগে?

- যদি চকুৰ পতাই চকুৰ মণিটোক সম্পূৰ্ণভাৱে বা আংশিকভাৱে আবৰি থাকে, ই দৃষ্টিক সম্পূৰ্ণভাৱে বা আংশিকৰূপে বাধা দিয়ে।
- যদি দৃষ্টিশক্তি সম্পূৰ্ণৰূপে বাধা প্ৰাপ্ত হয়, শিশুৰ এমব্লিয়'পিয়া (এলেহুৱা চকু) হ'ব আৰু স্থায়ীভাৱে দৃষ্টি শক্তি হ্ৰাস পাব। ইয়াক তত্ক্ষণাত সংশোধন কৰিব লাগিব!
- কছমেটিক- ৰূপ, বিশেষভাৱে শিশুসকলৰ বাবে।

চিকিত্সা

- অক্ষপক্ষ পতনৰ কোনো ঔষধ বা পাৰম্পৰিক চিকিত্সা নাই।
- একমাত্ৰ চিকিত্সা হৈছে চকুৰ পতা উঠাবলৈ অস্ত্ৰোপচাৰ কৰা।

অক্ষপক্ষ পতন



প্ৰাৰম্ভিক অক্ষপক্ষ পতন



অগ্ৰণী অক্ষপক্ষ পতন



চৰম অক্ষপক্ষ পতন

অক্ষপক্ষ পতন

স্বাভাৱিক

প্ৰাৰম্ভিক অক্ষপক্ষ পতন

অগ্ৰণী অক্ষপক্ষ পতন

চৰম অক্ষপক্ষ পতন

নাকমুখী অশ্রু নলিকা ৰোধ

সমস্যাটো

- চকুপানী হৈছে চকুৰ স্বাস্থ্যৰ এটা গুৰুত্বপূৰ্ণ অংশ। চকুপানীয়ে চকুৰ পৃষ্ঠক পিছল কৰে, যাৰ বাবে চকুৰ পতা সহজে ওপৰ আৰু তল কৰি থাকিব পাৰে। চকুপানীয়ে, চকুৰ বাহ্যিক তৰপ কনজাংটিভাক পোষণ কৰে আৰু সুৰক্ষা দিয়ে, আৰু চকুৰ ক্ষতি সাধন কৰিব পৰা ধূলি আৰু অন্যান্য, যেনে বেক্টেৰিয়া, ধুই পেলাই।
- অশ্রু গ্রন্থিয়ে, দুয়োটা চকুৰ ওপৰত, চকুপানী উত্পন্ন কৰে। আপুনি চকু টিপিওৱা প্ৰতিবাৰেই, চকুপানীবোৰ চকুটোৰ পৃষ্ঠত বিয়পি পৰে।
- আপোনাৰ ওপৰ আৰু তলৰ পাৰি চকুৰ পতাৰ কোণত থকা সূক্ষ্ম ফুটাৰৈ চকুপানী নিৰ্গম হয়।
- সেইবোৰ তাৰপিছত কিছুমান সৰু সৰু নলিকাৰে এটা থলীলৈ যায় য'ত নাকৰ কাষত পতাবোৰ সংযোজিত হৈ থাকে, আৰু তাৰ পিছত নাকত সেইবোৰ খালী কৰাৰ আগতে, এটা নলিকাহৈ বৈ যায় - নাকমুখী অশ্রু নলিকা, বা অশ্রু নলিকা।
- যদি এই নলিকাটো বন্ধ হৈ পৰে, চকুপানী ওলাই যাব নোৱাৰে আৰু চকুত গোট খাব।
- এটা কেঁচুৰা এটা ৰোদ্ধ অশ্রু নলিকাৰ সৈতে জন্ম হ'ব পাৰে। এইটো অতি সাধাৰণ। এই ৰোধ কেৱল এটা বা দুয়োটা চকুতে হ'ব পাৰে।

নাকমুখী অশ্রু নলিকা ৰোধৰ চিকিত্সা কিয় কৰিব লাগে?

- যদি চকুৰ পৰা চকুপানী বৈ যাব নোৱাৰে, তৰলবোৰ চকুত জমা হৈ ৰৈ যায়, এটা পুখুৰীৰ দৰে, আৰু সংক্ৰমণৰ উত্স হ'ব পাৰে।
- ই সাধাৰণতে কেঁচুৰাটোৰ এটা বা দুয়োটা চকুতে এক হালধীয়া চামনি ৰূপে দেখা দিয়ে।

চিকিত্সা

- এই অৱস্থাৰ সৈতে জন্মহোৱা শিশুসকলৰ ক্ষেত্ৰত, প্ৰায়ে চাৰিৰ পৰা ছমাহৰ ভিতৰত ই ভালৰ দিশে গতি কৰে। যদি সংক্ৰমণৰ কোনো চিন নাথাকে, কোনো চিকিত্সাৰ প্ৰয়োজন নহয়।
- যদি কোনো সংক্ৰমণ হয়, শিশুটোক এন্টিবায়'টিক ঔষধ দিয়া হ'ব- সাধাৰণতে চকুৰ ড্ৰ'প।
- যদি ছমাহৰ পিছতো ই খোল নাখায়, এটা সামান্য চিকিত্সা প্ৰক্ৰিয়াৰে ডাক্তৰে ইয়াক খোলাটো প্ৰয়োজনীয় হ'ব পাৰে।

নাকমুখী অশ্ৰু নলিকা ৰোধ

নাকমুখী অশ্ৰু নলিকাৰ মালিছ

নাকমুখী অশ্ৰু নলিকাক মালিচ কৰাটোৱে সংগ্ৰহিত হোৱা পানীবোৰ ওলাই যোৱাত সহায় কৰে। ইয়াক সকলো ক্ষেত্ৰতে প্ৰয়োজনীয় নহয়। যদি আপোনাৰ ডাক্তৰে আপোনাক, আপোনাৰ শিশুটোৰ বাবে এইয়া অনুমোদন কৰিছে, তেন্তে শুদ্ধ পদ্ধতি হ'ল এইটো।

- আপোনাৰ আঙুলিৰে, অতি যত্নৰে আৰু লাহে লাহে চকুটোৰ কাষত য'ত ই নাকটোৰ লগ লাগিছে ,তাত হেঁচা দিয়ক।
- আপুনি হেঁচি থাকোতে, আপোনাৰ আঙুলিটো নাকটোৰ কঠিন অংশৰ সৈতে তলৰ ফালে লৈ যাওক।
- শিশুটোৰ চকুক তপত পানী আৰু এখন পৰিস্কাৰ কাপোৰেৰে ধোৱক।
- ইয়াক দিনটোত তিনিবাৰকৈ কৰক।

নাকমুখী অশ্রু নলিকা ৰোধ



স্বাভাৱিক



ৰোদ্ধ নলিকা

নাকমুখী অশ্রু নলিকাৰ মালিছ

চকু আৰু নাকৰ মাজত দৃঢ়ভাৱে চাপ দিয়ক।

নাকটোৰ লগে লগে আঙুলিটো তললৈ আনক।

কেটেৰেক্ট

কেটেৰেক্ট

সমস্যাটো

- চকুৰ পিছফালে থকা ৰেটিনাত প্ৰতিচ্ছবি আপাতিত কৰিবৰ বাবে চকুৰ লেন্স অতি আৱশ্যকীয়।
- চকুৰ লেন্স সাধাৰণতে স্পষ্ট হয়, যি চকুৰ ভিতৰলৈ পোহৰ পাৰ হৈ যাবলৈ দিয়ে।
- কেটেৰেক্ট হৈছে লেন্সৰ মেঘাচ্ছন্নতা- যি লেন্সক স্বচ্ছতাৰ পৰা গাখীৰৰ দৰে বগালৈ সলনি কৰে। এইটোৱে পোহৰক চকুলৈ পাৰহৈ যোৱাত বাধা প্ৰদান কৰে।
- কেটেৰেক্ট এটা চকুত বা দুয়োটা চকুতে হ'ব পাৰে।
- কেঁচুৱাবোৰ কেটেৰেক্টৰ সৈতেই জন্ম হ'ব পাৰে।
- শিশুবোৰে চকুত পোৱা আঘাতৰ পৰা কেটেৰেক্ট হ'ব পাৰে।
- এটা কেটেৰেক্ট আৰম্ভ হয় সৰুকৈ আৰু আৰম্ভণিতে দৃষ্টিত অতি কম প্ৰভাৱ পেলায়। কিন্তু ই সময়ৰ লগে লগে ডাঙৰ হৈ পৰে, যি অৱশেষত দৃষ্টিহীনতাৰ কাৰক হয়।

কেটেৰেক্টৰ চিকিত্সা কিয় কৰিব লাগে?

- চকুত পোহৰ সোমাবলৈ শিশুসকলৰ এখন স্বচ্ছ লেন্স থাকিব লাগিব। যদি লেন্সখন স্বচ্ছ নহয়, শিশুটোৰ দৃষ্টি শক্তিৰ বিকাশ নহ'ব, আৰু শিশুটোৰ স্থায়ীভাৱে দুৰ্বল দৃষ্টি শক্তি হ'ব পাৰে অথবা অন্ধ হ'ব পাৰে।
- স্থায়ী দুৰ্বল দৃষ্টি শক্তি হোৱা বা অন্ধ হোৱাৰ পৰা ৰোধ কৰিবলৈ, **যিসকল শিশু কেটেৰেক্টৰ সৈতে জন্ম হয়, তেওঁলোকক প্ৰথম কেইমাহমানৰ ভিতৰতে চিকিত্সা কৰিব লাগিব**।

চিকিত্সা

- কেটেৰেক্টক আঁতৰাবলৈ কোনো ঔষধ বা পাৰম্পৰিক চিকিত্সা নাই।
- কেটেৰেক্টৰ একমাত্ৰ চিকিত্সা হৈছে মেঘাচ্ছন্ন প্ৰাকৃতিক লেন্স আঁতৰাই ইয়াক এখন কৃত্ৰিম লেন্সেৰে প্ৰতিস্থাপিত কৰা এটা অস্ত্ৰোপচাৰ।
- কেঁচুৱা আৰু শিশুসকলৰ ক্ষেত্ৰত, ইয়াৰ চিকিত্সা যিমান পাৰে সিমান সোনকালে কৰাটো প্ৰয়োজনীয়।
- অস্ত্ৰোপচাৰৰ পিছত শিশুসকলক চশমাৰ প্ৰয়োজন হ'ব।

গুৰুত্বপূৰ্ণ টোকা: শিশুৰ সকলো বগা পৰা চকুৰ মণি কেটেৰেক্ট নহয়। এটা বগা পৰা চকুৰ মণিয়ে চকুত হোৱা এটা কেন্সাৰ যুক্ত টিউমাৰৰ (ৰেটিন'ব্লাষ্টমা) ইংগিতো প্ৰদান কৰিব পাৰে আৰু ইয়াক শীঘ্ৰে চিকিত্সা কৰিব লাগিব। এটা শিশুৰ চকুৰ মণি বগা পৰাটোক সদায় এটা জৰুৰীকালীন ৰূপে চিকিত্সা কৰিব লাগে।

কেটেৰেক্ট



কেটেৰেক্ট

স্বাভাৱিক

প্ৰাৰম্ভিক কেটেৰেক্ট

অগ্ৰণী কেটেৰেক্ট

চৰম কেটেৰেক্ট

স্বাভাৱিক দৃষ্টি



কেটেৰেক্ট



কেটেৰেক্ট অস্ত্ৰোপচাৰ



চকু খুলি ৰখা হয়



চকুৰ পৃষ্ঠত এটা সৰুকৈ কাট কৰা হ'য়



পুৰণা, মেঘাচ্ছন্ন লেন্স আঁতৰোৱা হ'ব



কৃত্ৰিম লেন্স ভৰোৱা হ'ব

- শিশুটোক সাধাৰণ এনাস্থেছিয়া দিয়া হ'ব আৰু শুই পৰিব।
- এনাস্থেছিয়াৰ আগত শিশুটো খালী পেটত থাকিব লাগিব।
- চকুটো আঁতৰোৱা নহয়।
- অস্ত্ৰোপচাৰটোৱে প্ৰায় 20 মিনিটমান সময় লয়।
- অস্ত্ৰোপচাৰৰ পিছত, চকুটোক এটা পেটছেৰে ঢাকি ৰখা হয়।
- শিশুটো সাধাৰণ এনাস্থেছিয়াৰ পৰা সম্পূৰ্ণৰূপে সুস্থ হোৱা আৰু ঘৰলৈ যাবলৈ সক্ষম বুলি ডাক্তৰগৰাকী সুনিশ্চিত নোহোৱালৈকে শিশুটো চিকিৎসালয়ত থাকিব।
- পিছদিনা পেটচটো আঁতৰাই দিয়া হ'ব।
- যদি শিশুটোৰ দুয়োটা চকুতে কেটেৰেক্ট আছে, এটাৰ অস্ত্ৰোপচাৰ কৰা হ'ব আৰু দ্বিতীয়টোক কেইটামান সপ্তাহ বা মাহৰ পিছত কৰা হ'ব। কিছুমান ক্ষেত্ৰত, দুয়োটা চকুত একেসময়তে অস্ত্ৰোপচাৰ কৰা হয়।
- অস্ত্ৰোপচাৰৰ পিছত শিশুটোক চশমাৰ প্ৰয়োজন হ'ব।
- শিশুটো ডাঙৰ হৈ অহাৰ লগে লগে, শিশুটোৰ চশমা সলনি কৰা প্ৰয়োজন হ'ব পাৰে।

কেটেৰেক্ট

অস্ত্ৰোপচাৰৰ আগত

অস্ত্ৰোপচাৰৰ পিছত

গ্লুক'মা

গ্লুক’মা

সমস্যাটো

- চকুটো এটা স্বচ্ছ পানীৰ দৰে পদাৰ্থৰে ভৰি থাকে।
- এই পানীবোৰ অবিৰতভাৱে তৈয়াৰ হৈ থাকে আৰু তাৰ পিছত বৈ যায়, যাৰ বাবে চকুটোত সদায় সমান পৰিমাণৰ পানী থাকে।
- যদি চকুটোৰ পৰা পানী ওলাই যাবলৈ দিয়া মুখখন বন্ধ হৈ থাকে, অধিক আৰু অধিক পানী চকুটোত থাকি যায়, যি চকুৰ চাপ বৃদ্ধি কৰে।
- বৰ্ধিত চাপে চকুৰ ক্ষতি সাধন কৰিব পাৰে আৰু দৃষ্টিশক্তি হ্ৰাস আৰু তাৰ পিছত দৃষ্টিহীনতাৰ সৃষ্টি কৰিব পাৰে।
- এই অৱস্থাটোক গ্লুক’মা বুলি কোৱা হয়।

এই গ্লুক’মাৰ চিকিত্সা কিয় কৰিব লাগে?

- যদি গ্লুক’মাৰ চিকিত্সা কৰা নহয় বা চিকিত্সাত পলম হয়, ই দৃষ্টিৰ স্থায়ী হ্ৰাস বা দৃষ্টিহীনতাৰ সৃষ্টি কৰিব পাৰে।
- যদি এটা শিশু গ্লুক’মা সৈতে জন্ম হয়, ইয়াৰ চিকিত্সা তাত্ক্ষণিকভাৱে কৰাটো প্ৰয়োজনীয়। নহ'লে, পিছৰ পৃষ্ঠাত দেখুওৱাৰ দৰে চকু দুটা ডাঙৰ ("বুলচ আই") হৈ যাব পাৰে।

চিকিত্সা

- গ্লুক’মা নিৰাময়ৰ বাবে কোনো পাৰম্পৰিক চিকিত্সা নাই।
- চাপ কমাবৰ বাবে ঔষধ আছে, কিন্তু গ্লুক’মা থকা কেঁচুৱাৰ ক্ষেত্ৰত সাধাৰণতে ঔষধ কাৰ্য্যকৰী নহয়।
- সৰু ল'ৰা ছোৱালীৰ ক্ষেত্ৰত, চকুত সৰুকৈ খোলা কৰিবৰ বাবে সঘনেই এটা অস্ত্ৰোপচাৰ কৰা হয়, যি অতিৰিক্ত পানী বৈ যাবলৈ দিয়ে।

গ্লুক’মা

কৰ্ণিয়া অস্পষ্ট আৰু ধূসৰ হোৱাৰ সৈতে চকুটো ডাঙৰ যেন দেখা যায়।

স্বাভাৱিক



গ্লুক'মা


গ্লুক'মা
1
বন্ধ হৈ থকা
তৰল পদাৰ্থ
বহনকাৰী নলী
2
তৰল পদাৰ্থ
গঠন হোৱা
3
চকুৰ
আভ্যন্তৰত
বৰ্ধিত চাপ

গ্লুক’মা



স্বাভাৱিক



প্ৰভাৱিত



চিকিৎসা প্ৰদানিত

গ্লুক'মা - দৃশ্য ক্ষেত্ৰত প্ৰভাৱ

স্বাভাৱিক

প্ৰাৰম্ভিক গ্লুক'মা

অগ্ৰণী গ্লুক'মা

চৰম গ্লুক'মা

কেঁৰা চকু

কেঁৰা চকু

সমস্যাটো

- চকু দুটাৰ সঞ্চালন প্ৰতিটো চকুৰ লগত সংলগ্ন হৈ থকা ছটা পেশীৰ দ্বাৰা নিয়ন্ত্ৰিত হয়।
- এই পেশীবোৰে চকু দুটাক সকলো দিশত গতি কৰিবলৈ দিয়ে।
- দুয়োটা চকু সদায় একে লগে ঘূৰিব লাগিব, সেয়ে যদিও আমাৰ দুটা চকু আছে, তথাপিও আমি এটা সময়ত এটা বস্তু দেখা পাওঁ।
- পেশীবোৰৰ এটা যদি দূৰ্বল হয়, চকুটোৱে সঠিকভাৱে ঘূৰিব নোৱাৰে আৰু দুয়োটা চকুয়ে একেলগে গতি কৰিব নোৱাৰে।
- ইয়াকে কয় কেঁৰা চকু বা বক্ৰ দৃষ্টি।
- এটা বা দুয়োটা চকুয়েই কেঁৰা হ'ব পাৰে।
- কেঁৰা চকু শিশুসকলৰ মাজত হয়, বিশেষভাৱে তিনি বছৰ বয়সৰ আগত।
- চকু সকলো সময়তে কেঁৰা হৈ থাকিব পাৰে, বা মাত্ৰ কেতিয়াবা, বিশেষকৈ যেতিয়া শিশুটো ভাগৰি থাকে।
- কেঁৰা চকু অন্য কোনো চকুৰ সমস্যাৰো লক্ষণ হ'ব পাৰে আৰু সদায় এগৰাকী চকু বিশেষজ্ঞৰ দ্বাৰা পৰীক্ষা কৰোৱাব লাগে।

কেঁৰা চকুৰ চিকিত্সা কিয় কৰাব লাগে।

- যদি কেঁৰা চকুৰ চিকিত্সা কৰা নহয়, দূৰ্বল চকুটোয়ে দৃষ্টিৰ ভাল বিকাশ নকৰিব আৰু এটা "লেজি আই" হৈ পৰিব।
- কেঁৰা চকু থকা শিশুসকলে প্ৰায়ে নিজৰ দূৰ্বল ছবি এখন প্ৰকাশ কৰে আৰু আবেগিক সমস্যাও থাকিব পাৰে।

চিকিত্সা

- কেঁৰা চকুৰ বাবে কোনো ঔষধ বা পাৰম্পৰিক চিকিত্সা নাই।
- অতি সামান্য কেঁৰা চকুৰ ক্ষেত্ৰত, ভাল চকুটোৰ ওপৰত পেটচৰ ব্যৱহাৰে দূৰ্বল চকুটোৰ পেশীক শক্তিশালী কৰাত সহায় কৰিব পাৰে।
- চকুৰ পেশীক সংশোধন কৰিবৰ বাবে অস্ত্ৰোপচাৰ কৰিব লাগিব।
- কিছু ক্ষেত্ৰত চশমা দিয়া যাব পাৰে।

কেঁৰা চকু

চকুৰ পেশী



কেঁৰা চকু

অস্ত্ৰোপচাৰৰ আগত

অস্ত্ৰোপচাৰৰ এদিন পিছত

রেটিনা

ৰেটিন'ব্লাষ্টমা

সমস্যাটো

- ৰেটিন'ব্লাষ্টমা হৈছে চকুৰ ভিতৰত হোৱা কেন্সাৰজনিত বৃদ্ধি।
- ৰেটিন'ব্লাষ্টমা সৰু ল'ৰা ছোৱালীৰ হয়।
- ৰেটিন'ব্লাষ্টমা এটা বা দুয়োটা চকুতে হ'ব পাৰে।

ৰেটিন'ব্লাষ্টমাৰ চিকিত্সা কিয় কৰিব লাগে?

- ৰেটিন'ব্লাষ্টমা হৈছে এটা কেন্সাৰ ৰোগ। যদি চিকিত্সা কৰা নহয়, ই বাঢ়ি যাব আৰু বিয়পিব আৰু মৃত্যুও হ'ব পাৰে।
- ৰেটিন'ব্লাষ্টমাৰ চিকিত্সা যদি সোনকালে কৰা হয়, শিশুটোৰ চকু বচাব পৰাৰ সম্ভাৱনা থাকে।
- ৰেটিন'ব্লাষ্টমাৰ চিকিত্সা যদি সোনকালে কৰা নহয়, তেন্তে শিশুটোৰ জীৱন বচাবৰ বাবে চকুটো আঁতৰাই পেলোৱাটো আৱশ্যম্ভাৱী হৈ পৰে।
- ৰেটিন'ব্লাষ্টমাৰ চিকিত্সা যিমান পাৰে সিমান সোনকালে কৰাটো অতি প্ৰয়োজনীয় কাৰণ ই এক প্ৰাণ-ঘাতক ৰোগ।

চিকিত্সা

- ৰেটিন'ব্লাষ্টমাক আৰোগ্য কৰিবৰ বাবে কোনো পাৰম্পৰিক চিকিত্সা নাই।
- বৃদ্ধিটো সংকুচিত কৰিবৰ বাবে ৰেডিয়েচন বা কেমোথেৰাপী ব্যৱহাৰ কৰিব পাৰি, বা বা এটা অস্ত্ৰোপচাৰৰ পিছত ইয়াৰ প্ৰয়োজন হ'ব পাৰে, যাতে চকুত বা শৰীৰৰ অন্য অংগত ইয়াৰ বৃদ্ধি গঠনত বাধা প্ৰদান কৰিব পাৰি।
- ৰেটিন'ব্লাষ্টমাৰ একমাত্ৰ চিকিত্সা হৈছে এটা অস্ত্ৰোপচাৰ, হয়টো বৃদ্ধিটো পোনপটীয়াকৈ চিকিত্সা কৰি চকুটো ৰক্ষা কৰা, অথবা শিশুটোৰ জীৱন ৰক্ষা কৰিবৰ বাবে সম্পূৰ্ণ চকুটো আঁতৰাই পেলোৱা।
- কেতিয়াবা, কিছুমান বিশেষ সৰঞ্জাম ব্যৱহাৰ কৰি বৃদ্ধিটো ধ্বংস কৰিব পাৰি, যি বৃদ্ধিটোক হিমায়িত কৰে (ক্ৰায়'থেৰাপী) বা বৃদ্ধিটোক তাপিত কৰে (থাৰ্ম'থেৰাপী)।
- ৰেটিন'ব্লাষ্টমাৰ চিকিত্সা কৰা শিশুটোক পৰৱৰ্তী পৰীক্ষা আৰু সময়কালীন পৰীক্ষা কৰাই থাকিব লাগিব।

ৰেটিন'ব্লাষ্টমা



ৰেটিন'ব্লাষ্টমা

আৰম্ভণি

পলম

অতি পলম

ৰেটিন'পেথি অফ প্ৰিমেটুৰিটি

সমস্যাটো

- এটা সম্পূৰ্ণ সময়কালিন গৰ্ভাৱস্থা হৈছে 38-42 সপ্তাহ। যদি এটা শিশু 32 সপ্তাহৰ আগতে জন্ম হয়, এনে হ'ব পাৰে যে শিশুটোৰ ৰেটিনাত থকা ৰক্ত বাহিকাবোৰ, যি চকুৰ পিছফালে থাকে, সম্পূৰ্ণৰূপে গঠন নহয়, যি ROP নামৰ অৱস্থাটোৰ সৃষ্টি কৰিব পাৰে। ৰেটিন'পেথি অফ প্ৰিমেচিয়'ৰিটি।
- সকলো সময়ৰ আগতে জন্ম হোৱা শিশুৰ ROP নাথাকে।
- ROP সাধাৰণতে দুয়োটা চকুত হয়।
- সকলো সময়ৰ আগতে জন্ম হোৱা শিশুকেই জন্মৰ পিছত চাৰি-ছয় সপ্তাহৰ ভিতৰত ROPৰ বাবে পৰীক্ষা কৰিব লাগে।

ROPৰ চিকিত্সা কিয় কৰিব লাগে?

- কিছুমান ক্ষেত্ৰত ROP অতি সাধাৰণ হয় আৰু চিকিত্সাৰ প্ৰয়োজন নহয়।
- ROPৰ গুৰুতৰ ঘটনাসমূহ যদি শীঘ্ৰে চিকিত্সা কৰা নহয়, ই দৃষ্টি হ্ৰাস কৰিব পাৰে বা দৃষ্টিহীন কৰিব পাৰে।

চিকিত্সা

- চিকিত্সা সমস্যাটোৰ গম্ভীৰতাৰ ওপৰত নিৰ্ভৰ কৰে।
- ৰক্তবাহিকাবোৰৰ অস্বাভাৱিক বৃদ্ধিক ৰোধ কৰিবৰ বাবে চকুত এটা ঔষধ ভৰাই দিব পাৰি।
- ৰেটিনাৰ মেৰামতি কৰিবৰ বাবে লেজাৰ চিকিত্সা কৰিব পাৰি।
- চিকিত্সাই প্ৰায়ে সমস্যাটোৰ সমাধান কৰে- কিন্তু কেতিয়াবা ই কেৱল চকুটোৰ ক্ষতিৰ পৰিমাণকহে সীমিত কৰিব পাৰে।
- যিসকল শিশুক চিকিত্সা কৰা হয়, সিহঁতক এগৰাকী চকু বিশেষজ্ঞই নিয়মিত ৰূপে নিৰীক্ষণ কৰিব, যিহেতু সিহঁত ডাঙৰ হোৱাৰ লগে লগে অন্য দৃষ্টি সম্পৰ্কীয় সমস্যাত ভুগাৰ সম্ভাৱনা থাকে।

ৰেটিন'পেথি অফ প্ৰিমেটুৰিটি



প্ৰতিসৰণ দোষ

শিশু আৰু চশমা

[টোকা: প্ৰতিসৰণ দোষক বাখ্যা কৰিবলৈ, এই শাখাটোত থকা পাঠ আৰু চিত্ৰ ব্যৱহাৰ কৰক: প্ৰতিসৰণ দোষ।]

এটা শিশুক চশমাৰ প্ৰয়োজন হোৱা বহুতো কাৰণ আছে।

প্ৰতিসৰণ দোষ

- এটা শিশু যি ভালদৰে দেখা নাপায়, তেওঁ পঢ়িবলৈ আৰু খেলিবলৈ কষ্ট অনুভৱ কৰে। যেতিয়াই চশমা পিন্ধাটোৱে এটা শিশুক সহায় কৰে, তেওঁলোকক তাৰ বিধান দিব লাগে আৰু পিন্ধিব লাগে।
- চশমা পিন্ধিলে শিশুটোৰ চকু অধিক বেয়া নহয়।
- দূৰদৃষ্টিসম্পন্ন শিশুসকলৰ এই সমস্যাটো তেওঁলোকৰ বয়স হৈ অহাৰ লগে লগে ই নোহোৱা হৈ যাব পাৰে।
- নিকটদৃষ্টিসম্পন্ন শিশুসকলে চশমা পিন্ধাটো অব্যাহত থকাৰ সম্ভাৱনা অধিক।

কেঁৰা চকু

- চশমা পিন্ধাটো কেঁৰা চকু আৰু এটা লেজি আইৰ চিকিত্সাৰ অংশ হ'ব পাৰে।

গ্লুক'মা

- গ্লুক'মা থকা শিশুসকলে তেওঁলোকৰ দৃষ্টি শক্তি উন্নত কৰিবলৈ চশমাৰ প্ৰয়োজন হ'ব পাৰে।

কেটেৰেক্ট

- কেটেৰেক্টৰ অস্ত্ৰোপচাৰৰ পিছত, যদিও লেন্স বহুৱা হয়, শিশুটোক দৃষ্টি শক্তি উন্নত কৰিবলৈ চশমাৰ প্ৰয়োজন হ'ব পাৰে।

যদি আপোনাৰ শিশুটোক চশমাৰ বিধান দিয়া হৈছে, এইটো প্ৰয়োজনীয় যে শিশুটোৱে সকলো সময়তে গ্লাছ পিন্ধি থাকে, বিশেষভাৱে বিদ্যালয়ত।

শিশু আৰু চশমা





ৰোগী____

ৰোগ নিৰ্ণয়____

চিকিত্‌সা____

পৰৱৰ্তী ক্লিনিক ভ্ৰমণ: ______ / ______ / _______ ভ্ৰমণ ক্ৰমাংক:______

ক্লিনিক যোগাযোগ____

ক্লিনিকৰ টেলিফোন____

টোকা: ____

____